Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## আমেৰিকাত গ্ৰেপ্তাৰ দুৰ্নীতিপৰায়ণ অসমীয়া

লছ এঞ্জেলছ, ৪ জুনঃ বৃহৎ কেলেংকাৰি সংঘটিত কৰি অৱশেষত আমেৰিকা যুক্তৰাষ্ট্ৰত গ্ৰেপ্তাৰ হৈছে ৬ পৃষ্ঠাত

THURSDAY, JUNE 5, 2025 ■ বৃহস্পতিবাৰ, ২১ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ধৰ্ষণকাৰীক সুৰক্ষা দি আছে বিজেপিয়ে!

### কংগ্ৰেছৰ অভিযোগ



গুৱাহাটী, ৪ জুনঃ ৰাজ্যত সঘনাই সংঘটিত হৈ অহা নাৰীজনিত ২ নং পৃষ্ঠাত

### উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা অমান্য কৰি কাজিৰঙাত অব্যাহত অবৈধ খনন

## নীতি পালন কৰক! ডিজিপি, মুখ্য সচিবলৈ ছুপ্ৰিম নিৰ্দেশ



ই-সংবাদ বিশেষ, ৪ জুনঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত ২০১৯ চনৰ অবৈধ খনন আৰু আনুষংগিক কাম-কাজ নিষিদ্ধকৰণৰ নীতি কঠোৰ ভাৱে পালন কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান আৰু ৰাজ্য চৰকাৰৰ প্ৰধান সচিবক নিৰ্দেশ দিছে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ ৪ পৃষ্ঠাত

### প্ৰায় ৭ বছৰ বিলম্ব, লোকপিয়লত ব্যৱহাৰ হ'ব এপ-পৰ্টেল

# ২০২৭ৰ মাৰ্চৰ পৰা হ'ব লোকপিয়ল, জাতি জনগণনা

## দুটা পৰ্যায়ত অনুষ্ঠিত কৰা হ'ব জাতি জনগণনা


নতুন দিল্লী, ৪ জুনঃ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি বিৰোধী দলে ধাৰাবাহিকভাৱে উত্থাপন কৰা দাবীৰ ৭ পৃষ্ঠাত

## ন্যায়াধীশৰ ৰাজনীতিত যোগদানে জনতাৰ আস্থাত আঘাত হানেঃ চিজেআই



লণ্ডন, ৪ জুনঃ শক্তিশালী গণতন্ত্ৰৰ ভেটি হ'ল স্বতন্ত্ৰ ন্যায়পালিকা আৰু ইয়াৰ প্ৰতি জনসাধাৰণৰ অদম্য আস্থা। কিন্তু অৱসৰৰ পিছত ৰাজনীতিত যোগদান ২ নং পৃষ্ঠাত

## শ্বিলঙৰ পৰা ওভতাৰ সময়ত দুৰ্ঘটনাই প্ৰাণ কাঢ়িলে নম্ৰতা বৰাৰ



ই-সংবাদ, ৪ জুনঃ গোলাঘাটৰ কমাৰ গাঁৱৰ যুৱ অধিবক্তা নম্ৰতা বৰা এক পথ দুৰ্ঘটনাত নিহত হোৱাত ৰাজ্যজুৰি চাঞ্চল্যৰ ৫ নং পৃষ্ঠাত

## বৰাকত বান পৰিদৰ্শন গৌৰৱ গগৈৰ

ই-সংবাদ, ৪ জুনঃ লখিমপুৰত নীপকোৰ বান্ধ সৃষ্ট বানপৰিস্থিতি ৫ পৃষ্ঠাত

## পাক লিংক! আকৌ গ্ৰেপ্তাৰ ইউটিউবাৰ

চণ্ডীগড়, ৪ জুনঃ হাৰিয়ানাৰ পিছত এইবাৰ পঞ্জাব! পাকিস্তানৰ সৈতে গোপন সম্পৰ্ক ৰাখি ৫ নং পৃষ্ঠাত



### ভূমি অধিকাৰ সংগ্ৰাম সমিতি

## 'জান, জুৰি পৰ্বত আমি ধ্বংস হ'বলৈ নিদিওঁ'

গুৱাহাটী, ৪ জুনঃ ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি আৰু ৬ নং পৃষ্ঠাত

### বিজয় উল্লাস ৰূপান্তৰিত হ'ল ভয়ংকৰ ট্ৰেজেডীলৈ

## আৰচিবিৰ বিজয় পেৰেডত পদপিষ্ট হৈ মৃত্যু ১১ অনুৰাগীৰ



বাংগালুৰু, ৪ জুনঃ বহু প্ৰত্যাশিত আই পি এল খিতাপ জয় কৰাৰ পিছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিজয় উল্লাস পৰিণত হ'ল মৰ্মান্তিক ট্ৰেজেডীলৈ। বুধবাৰে বিয়লি বাংগালুৰুৰ চিন্নস্বামী ষ্টেডিয়ামৰ ৩ নং পৃষ্ঠাত

### ঠিকাদাৰ নুপূৰৰ ঠিকনাত ইডি!

## দুৰ্নীতিগ্ৰস্ত চিডিপিঅ' সূৰ্যৰ বিৰুদ্ধে চাৰ্জশ্বিট





ই-সংবাদ, ৪ জুনঃ অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ঠিকা কৰা দুৰ্নীতিসম্ৰাট ঠিকাদাৰ নুপূৰ সাহাৰ ঘৰ আৰু প্ৰতিষ্ঠানত ৮ নং পৃষ্ঠাত

### কেবিনেট বৈঠকৰ অন্তত গৌৰৱক লৈ সৰৱ হিমন্ত

## শ্বহীদ কনকলতাৰ নামেৰে নিৰ্মাণ কৰা হ'ব বিশ্ববিদ্যালয়



গুৱাহাটী, ৪ জুনঃ গহপুৰৰ ভোলাগুৰি চাহ বাগিচাত নিৰ্মাণ কৰা হ'ব শ্বহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয়। বুধবাৰে ৩ পৃষ্ঠাত

## বীৰ লাচিত সেনাৰ বিৰুদ্ধে ক্ষুব্ধ আহোম!

ই-সংবাদ, ৪ জুনঃ বীৰ লাচিত সেনা আৰু টাই আহোম ছাত্ৰ সন্থাৰ মাজত সংঘাত ক্ৰমে তীব্ৰতৰ হৈছে। বীৰ লাচিত সেনাৰ নেতাই টাই ৬ নং পৃষ্ঠাত

## সকলো থাকিও একাকীত্ব! আত্মহনন বৃদ্ধ দম্পতীৰ

### দৰঙৰ দেওমৰনৈত তীব্ৰ চাঞ্চল্য

ই-সংবাদ, দুনী, ৪ জুনঃ পশ্চিম দৰঙৰ দেওমৰনৈৰ নিকটবৰ্তী গড়গড়ি গাঁৱত আজি পুৱাতে এহাল প্ৰৌঢ় দম্পতীয়ে চিপ লৈ আত্মহত্যাৰ পথ বাছি লোৱাৰ দৰে ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায়াধীশৰ ৰাজনীতিত যোগদানে জনতাৰ

কৰি ন্যায়াধীশসকলে ক্ষতিসাধন কৰিব পাৰে জনসাধাৰণৰ এই মৌলিক আস্থাৰ।- এনে আশংকা ব্যক্ত কৰিলে ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে। বিদেশত এখন আলোচনা সভাত তেওঁ ন্যায়পালিকা আৰু ৰাজনীতিৰ সম্পৰ্কক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। ব্ৰিটেইনৰ উচ্চতম ন্যায়ালয়ে আয়োজন কৰা এক মেজমেলত অংশগ্ৰহণ কৰে মুখ্য ন্যায়াধীশ গাভায়ে। ইংলেণ্ড আৰু ৱেলছৰ মুখ্য ন্যায়াধীশ বেৰনেছ কাৰ্, ন্যায়াধীশ বিক্ৰম নাথ আৰু ব্ৰিটেইনৰ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ জৰ্জ লেগেটৰ উপস্থিতিত ভাৰতীয় ন্যায়পালিকাৰ বিষয়ে কোৱাৰ সময়ত তেওঁ কয় যে ভাৰতত ন্যায়াধীশসকলৰ অৱসৰৰ বাবে নিৰ্দিষ্ট বয়সৰ সীমা আছে। তেওঁ কয়, "যদি কোনো ন্যায়াধীশে আন এটা চৰকাৰী পদ গ্ৰহণ কৰে বা অৱসৰৰ লগে লগে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগ্ৰহী হৈ পৰে, তেন্তে ই নীতিগতভাৱে গুৰুতৰ চিন্তাৰ সৃষ্টি কৰে আৰু জনসাধাৰণেও সেয়া প্ৰত্যক্ষ কৰে।" তেওঁ জোৰ দি কয় যে ৰাজনৈতিক পদৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশে ন্যায়পালিকাৰ স্বাধীনতা আৰু নিৰপেক্ষতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিব পাৰে, কিয়নো ইয়াক 'স্বাৰ্থৰ সংঘাত' বা 'চৰকাৰৰ সৈতে অনুকূলতা লাভ কৰাৰ প্ৰয়াস' হিচাপে চাব পাৰি।
এনে কাৰ্যই ন্যায়পালিকাৰ প্ৰতি জনসাধাৰণৰ আস্থা হ্ৰাস কৰিব পাৰে বুলিও তেওঁ সকীয়াই দিয়ে। মন কৰিবলগীয়া যে বিগত সময়ত ভাৰতৰ মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈৰ অৱসৰৰ পিছত ৰাজ্যসভালৈ মনোনয়ন দিয়াক লৈ যথেষ্ট বিতৰ্ক হৈছিল। শেহতীয়াকৈ কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অভিজিৎ গংগোপাধ্যায়ে পদত্যাগ কৰি বিজেপিত যোগদান কৰি বৰ্তমান বিজেপিৰ সাংসদ হৈ আছে। সদ্য অৱসৰপ্ৰাপ্ত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়েও অৱসৰৰ পিছত ন্যায়াধীশসকলে ৰাজনীতিত যোগদান কৰা সন্দৰ্ভত একেধৰণৰ মন্তব্য কৰিছিল। আলোচনাত মুখ্য ন্যায়াধীশ গাভায়ে লগতে কয় যে যেতিয়া চৰকাৰে ন্যায়াধীশ নিযুক্তিৰ চূড়ান্ত সিদ্ধান্ত লৈছিল (১৯৯৩ চনৰ আগতে) তেতিয়া এনেকুৱা সময়ো আহিছিল যেতিয়া মুখ্য ন্যায়াধীশৰ নিযুক্তিৰ পৰা জ্যেষ্ঠ ন্যায়াধীশসকলক বাদ দিয়া হৈছিল আৰু আনক বাছনি কৰা হৈছিল। এই ঘটনা ভাৰতত দুবাৰকৈ সংঘটিত হৈছে। ভাৰতত বিতৰ্কৰ এটা বিন্দু হ'ল ন্যায়াধীশ নিযুক্তিৰ ক্ষেত্ৰত কাৰ অগ্ৰাধিকাৰ থাকিব। তেওঁ মন্তব্য কৰে যে এই ধাৰাটো "প্ৰতিষ্ঠিত পৰম্পৰাৰ বিৰুদ্ধ"। এই গোচৰত ন্যায়াধীশ চৈয়দ জাফৰ ইমাম (১৯৬৪ চনত স্বাস্থ্যজনিত কাৰণত) আৰু ন্যায়াধীশ হন্সৰাজ খান্না (১৯৭৭ চনত ইন্দিৰা গান্ধী চৰকাৰৰ প্ৰতি অসন্তুষ্টিৰ বাবে) ক মুখ্য ন্যায়াধীশ পদৰ পৰা অপসাৰণ কৰা হৈছিল। ইয়াৰ উত্তৰত উচ্চতম ন্যায়ালয়ে ১৯৯৩ আৰু ১৯৯৮ চনৰ ৰায়দানত ন্যায়াধীশ নিযুক্তি সম্পৰ্কীয় সাংবিধানিক বিধানসমূহৰ ব্যাখ্যা কৰি কয় যে কলেজিয়ামত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু উচ্চতম ন্যায়ালয়ৰ চাৰিজন জ্যেষ্ঠ ন্যায়াধীশ থাকিব। আনহাতে, উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামৰ জৰিয়তে ন্যায়াধীশ নিযুক্তি সন্দৰ্ভত বিগত কেইবছৰমানৰ পৰা নৰেন্দ্ৰ মোদী চৰকাৰে ধাৰাবাহিকভাৱে প্ৰশ্ন উত্থাপন কৰি আহিছে। আনকি এই প্ৰক্ৰিয়াৰ স্বচ্ছতাক লৈ বিতৰ্কৰ মাজতে কিৰেন ৰিজিজুৱেও কেন্দ্ৰীয় আইন মন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিবলগীয়া হৈছিল। যদিও ২০১৫ চনত মোদী চৰকাৰে এনজেএচি (ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগ) গঠন কৰি কলেজিয়াম ব্যৱস্থা সলনি কৰিবলৈ চেষ্টা কৰিছিল, তথাপিও উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিভাগৰ বিচাৰপীঠে এনজেএচিক "অসাংবিধানিক" বুলি ঘোষণা কৰি কলেজিয়াম ব্যৱস্থাটো অটুট ৰখাৰ ৰায় দিয়ে। মুখ্য ন্যায়াধীশ গাভায়ে তেওঁৰ আলোচনাত কয় যে কলেজিয়াম ব্যৱস্থাৰ সমালোচনা হ'ব পাৰে, কিন্তু ন্যায়িক স্বাধীনতাত হস্তক্ষেপ কৰি কোনো সমাধানত উপনীত হ'ব নালাগে। তেওঁ লগতে কয় যে বিচাৰকসকল বাহ্যিক নিয়ন্ত্ৰণৰ পৰা মুক্ত হ'ব লাগিব, তেতিয়াহে ন্যায় ব্যৱস্থা বিশ্বাসযোগ্য হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ধৰ্ষণকাৰীক সুৰক্ষা দি আছে বিজেপিয়ে!

ঘটনাক লৈ আজি প্ৰদেশ কংগ্ৰেছে এখন সংবাদমেল সম্বোধন কৰি হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসমৰ মহিলাক সুৰক্ষিত কৰিব পৰা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰ'জলীনা তিৰ্কী, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ গোস্বামী আৰু অসম প্ৰদেশ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই ৰাজীৱ ভৱনত এখন সংবাদমেল সম্বোধন কৰি শেহতীয়াকৈ ৰাজ্যত সংঘটিত হোৱা নাৰী নিৰ্যাতনৰ প্ৰসংগ উল্লেখ কৰি চৰকাৰক তীক্ষ্ণ আক্ৰমণ কৰে। ২৮ মে'ত তিনিচুকীয়া জিলাৰ বাইশসুঁতি বাগানত এগৰাকী ৭ বছৰীয়া নাবালিকাক বলাৎকাৰ কৰি নলাত পেলাই থোৱা অৱস্থাত উদ্ধাৰ হয়। আজি সংবাদমেলত কংগ্ৰেছ নেতাত্ৰয়ে জনাই যে, ২৮ মে'ত সংঘটিত এই ঘটনাত জড়িত থকাৰ অভিযোগত ৩১ মে'ত ৰাজা সৰকাৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। কংগ্ৰেছে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰি কয় যে বিজেপি নেতা সঞ্জয় কিষাণৰ ঘনিষ্ঠ বন্ধু মনোজ আগৰৱালাৰ বাগানত অভিযুক্ত কৰ্মকাৰে কাম কৰে। যাৰ বাবে অভিযুক্ত কৰ্মকাৰক ৰক্ষণাবেক্ষণ দিয়া বুলি মীৰা বৰঠাকুৰে অভিযোগ আনিছে। প্ৰথম অৱস্থাত অভিযুক্তক গ্ৰেপ্তাৰ কৰা হোৱা নাছিল। পিছত ৰাইজৰ হেঁচাত পৰিহে গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হোৱা বুলিও অভিযোগ আনিছে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। প্ৰদেশ কংগ্ৰেছে সংবাদমেলযোগে অনুৰূপ ঘটনা তিনি বছৰ পূৰ্বে তিনিচুকীয়াৰ বৰডুমচাত সংঘটিত হোৱাৰ কথা উল্লেখ কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰদেশ মহিলা সমিতি আৰু নাবালিকাৰ মাতৃয়ে এজাহাৰ দাখিল কৰিছিল যদিও ন্যায় নোপোৱাত নাবালিকাৰ মাতৃয়ে আত্মহত্যা কৰিছিল। মীৰা বৰঠাকুৰে বলাৎকাৰীসকলক যেতিয়ালৈকে কঠোৰ শাস্তি দিয়া নহ'ব, তেতিয়ালৈকে এনে ঘটনা সংঘটিত হৈ থাকিব বুলি দোহাৰি কয় যে শংকৰদেৱ শিশু বিকাশ নিকেতনৰ ভৃগুজিৎ শৰ্মা আৰু মনজিৎ দাসে নৱম শ্ৰেণীৰ ছাত্ৰীক ধৰ্ষণ কৰিছিল। এতিয়া এই দুই অভিযুক্ত ক'ত আছে প্ৰশাসনে আমাক জনাব লাগে। অসম আৰক্ষীৰ কনিষ্টবল ব্ৰজেন কলিতা আৰু হৰেশ্বৰ কলিতাই জে'লৰ ভিতৰত বিশেষভাৱে সক্ষম মহিলাৰ সৈতে অনৈতিক কাৰ্য সংঘটিত কৰিলে। গুৱাহাটীৰ এগৰাকী ছাত্ৰীক নিৰ্যাতন চলাইছিল বিজেপিৰ যুৱ মৰ্চাৰ নেতাই। হোলীৰ সময়ত উপেন বৰাৰ দ্বাৰা ১০ বছৰীয়া নাবালিকাক ধৰ্ষণৰ অভিযোগ। মহানগৰীৰ বৰাগাঁৱত ৯ যুৱকে এগৰাকী কিশোৰীক ধৰ্ষণ। এই ঘটনাবোৰোত অভিযুক্তসকল তিনিমাহ পিছতে জামিন লৈ মুকলি আকাশৰ তললৈ ওলাই অহা বুলি দাবী কৰে মীৰাই। যেতিয়াই ঘটনাৰ সৈতে বিজেপি জড়িত থাকে তেতিয়া ভুক্তভোগীয়ে ন্যায় নাপায়। গুজৰাটৰ বিলকিছ বানুৰ কাণ্ডত জামিন লাভ কৰা দোষীসকলক ফুলৰ মালা পিন্ধোৱা বুলি উল্লেখ কৰি কয় যে বেটী বচাও, বেটী পঢ়াও শ্লোগান দিয়া এইখন চৰকাৰৰ দিনত অসমত এতিয়া বেটীসকল সুৰক্ষিত নহয়। তিনিচুকীয়া জিলাৰ বৰডুমচাত বলাৎকাৰৰ বলি নাবালিকাৰ মাতৃয়ে ন্যায় নোপোৱাত আত্মহত্যা কৰিছে। এইবাৰো একেই ঘটনা সংঘটিত হৈছে। আমি চৰকাৰক দাবী জনাওঁ যে বলাৎকাৰীসকল যি দল বা জাতি-ধৰ্মৰে নহওক দৃষ্টান্তমূলক শাস্তি দিব লাগে। মীৰা বৰঠাকুৰে চৰকাৰক নাৰীৰ সুৰক্ষাক লৈ ঠায়ে ঠায়ে সজাগতা সভা পতাৰো পৰামৰ্শ দিয়ে। এনচিআৰবিৰ তথ্যত অসমত নাৰীজনিত ঘটনা হ্ৰাস পোৱা বুলি দেখুওৱাৰ অভিযোগ উত্থাপন কৰি কয় যে আৰক্ষী থানাসমূহত অভিযোগ দাখিল কৰিবলৈ গ'লে গোচৰ ৰুজু নহয়। যাৰ বাবে এনচিআৰবিৰ তথ্যত অসমত নাৰীজনিত ঘটনা হ্ৰাস পোৱা বুলি উল্লেখ পাইছে। বিজেপি নেত্ৰী ইন্দ্ৰাণী তহবিলদাৰৰ কাণ্ডত জড়িত থকাসকলে শাস্তি পাব নে নাই সেই সন্দৰ্ভত প্ৰশ্ন কৰে বৰঠাকুৰে। আনহাতে অসমৰ মুখ্যমন্ত্ৰীয়ে ২০০১ চনৰ পৰা মহিলাই সতীত্ব হৰণ কৰি চাকৰি পোৱা বুলি উল্লেখ কৰা কথাবো অৱতাৰণা কৰে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীৰ উক্ত বক্তব্যক উভতি ধৰি কয় যে যদি এগৰাকী মুখ্যমন্ত্ৰীয়ে তেনে কথা কয় তেতিয়া দুষ্কৃতিকাৰীসকল উৎসাহী হয়। চৰকাৰী স্কুল বন্ধ কৰি মদৰ দোকান খুলিছে। স্কুল বন্ধ কৰিলে অপৰাধ বৃদ্ধি হ'বই বুলি কৈ মুখ্যমন্ত্ৰীক শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিবলৈকো আহ্বান জনায় অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বহীদ কনকলতাৰ নামেৰে নিৰ্মাণ কৰা

দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেটত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়া মতে, গহপুৰৰ ভোলাগুৰি চাহ বাগিচাত শ্বহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৪০০ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনাইছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত কয় যে এই বিশ্ববিদ্যালয়খনেই হ'ব অসমৰ প্ৰথমখন শিক্ষানুষ্ঠান যিয়ে বিশেষভাৱে উদ্যোগ ৪.০ আৰু ৫.০ৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং আৰু ৰ'ব'টিক্সৰ দৰে অত্যাধুনিক প্ৰযুক্তিৰ বিশেষ পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰা হ'ব। শিক্ষা বিভাগে পাঠ্যক্ৰম প্ৰস্তুতৰ কাম আৰম্ভ কৰিছে আৰু এই কামত নিয়োজিত হৈ আছে আই আই টি গুৱাহাটী আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ বিশিষ্ট বিশেষজ্ঞসকল। বিশ্ববিদ্যালয়খন নিৰ্মাণৰ বাবে চাহ বাগিচাৰ কিছু মাটি অধিগ্ৰহণ কৰা হ'ব, যাৰ বাবে একাংশ বাসিন্দাক অস্থায়ীভাৱে স্থানান্তৰিত কৰিব লাগিব। মুখ্যমন্ত্ৰী শৰ্মাই তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰাৰ বাবে ওচৰৰ অঞ্চলত মাটিৰ ব্যৱস্থা কৰাৰ লগতে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰি আৰু স্বেচ্ছামূলক অৱসৰ আঁচনিৰ ব্যৱস্থা কৰা হ'ব বুলিও উল্লেখ কৰে। তেওঁ চাহ বাগিচা সমাজৰ সৈতে এই পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা আৰু তেওঁলোকৰ সমৰ্থন লাভ কৰাৰ বিষয়েও অৱগত কৰে। তদুপৰি ডিমা হাছাও জিলাৰ ৫ টা পথ নিৰ্মাণৰ কাৰণে পুঁজিৰ অনুমোদন জনায় আৰু ডিমা হাছাওৰ ৫ টা পথ ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে অসমৰ সকলো আৰক্ষী অধীক্ষকক এতিয়াৰে পৰা জনা যাব জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে। মুখ্যমন্ত্ৰী জীৱন অনুপ্ৰেৰণা আঁচনিৰ অনুমোদন জনায় আজিৰ এই কেবিনেটত। একেদৰে চৰকাৰী বিশ্ববিদ্যালয়ত গৱেষণা কৰা শিক্ষাৰ্থীলৈ আগবঢ়াব এককালীন সাহায্য। ২৫ হাজাৰ টকাকৈ আগবঢ়াব গৱেষক শিক্ষাৰ্থীলৈ, ইয়াৰ বাবে শীঘ্ৰেই আবেদনৰ বাবে খুলি দিব প'ৰ্টেল। উল্লেখ্য যে আজি পুৱাৰ ভাগতে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্মবাৰ্ষিকী এইবাৰ বছৰজোৰাকৈ উদযাপন কৰাৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সুধাকণ্ঠৰ জন্মদিনটোত অৰ্থাৎ ৮ ছেপ্টেম্বৰত এই বৰ্ষজোৰা উদযাপনৰ শুভাৰম্ভ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। একে সময়তে অসম চৰকাৰে 'ভাৰত ৰত্ন', 'সুধাকণ্ঠ' ড° ভূপেন হাজৰিকাৰ জীৱনৰ আধাৰত এখন অমূল্য গ্ৰন্থ প্ৰকাশৰ উদ্যোগ লোৱাৰ কথাও তেওঁ সদৰী কৰে। এই গ্ৰন্থখন দেশৰ ২৩ টা ভাষালৈ অনুবাদ কৰি ৪ লাখৰো অধিক কাৰ্যালয় আৰু পুথিভঁৰাললৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰ উপৰি এই গ্ৰন্থখন ১০ লাখ লোকৰ ওচৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা হ'ব। ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ কাৰ্যসূচী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ জন্মদিন অৰ্থাৎ ৮ ছেপ্টেম্বৰত উদ্বোধন কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে গ্ৰন্থখনৰ সম্পাদনা প্ৰখ্যাত লেখিকা অনুৰাধা শৰ্মা পূজাৰীয়ে কৰিছে আৰু ইয়াৰ পুনৰীক্ষণৰ কাম চলি আছে। এই উদযাপনৰ বাবে গঠিত মূল সমিতিৰ প্ৰথমখন সভাত ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা, নাতি শ্বেইজ হাজৰিকা, তেওঁৰ পৰিয়ালৰ সদস্য আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। বৈঠকত ৪০ জন লোকে বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়ায়, যিবোৰ চৰকাৰে বিবেচনা কৰি কাৰ্যকৰী কৰিব। ভৱিষ্যতে এই বিষয়ত আৰু অধিক বৈঠক অনুষ্ঠিত হ'ব আৰু সংবাদ মাধ্যমৰ জৰিয়তে জনসাধাৰণক নিয়মিতভাৱে অৱগত কৰা হ'ব। একেখন সংবাদমেলত ভূপেন বৰাৰ সভাপতি পদৰ পৰা অপসাৰণ আৰু গৌৰৱ গগৈক সভাপতি পদ প্ৰদান সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ভূপেন বৰাৰ কাৰ্যকালত কংগ্ৰেছৰ ফলাফল ভাল হৈছিল। পঞ্চায়ত নিৰ্বাচনত যোৰহাটক বাদ দি বাকী ঠাইত কংগ্ৰেছৰ ফলাফল ভাল হৈছিল। কিন্তু যোৰহাটৰ ফলাফলৰ বাবে ভূপেন বৰাৰ চকী গ'ল। ভূপেন বৰাই এপ্ৰিল মাহলৈ এনেদৰে অপমান সহি থাকিব লাগিব। তেওঁ বিজেপিত যোগদান কৰিব নে নাই সেয়া নাজানো বুলি কয় মুখ্যমন্ত্ৰীয়ে। গৌৰৱ গগৈৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ১০ ছেপ্টেম্বৰৰ পিছতে তেওঁ আৰু বহু কথা ক'ব লাগিব বুলি কয়। লগতে গৌৰৱ গগৈৰ সৈতে মুখ্যমন্ত্ৰীৰ পাৰ্থক্য থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বহুত ডাঙৰ পাৰ্থক্য আছে মোৰ ঘৰততো এটাও বিদেশী নাই। ৰাজনীতিত আকাশ-পাতাল পাৰ্থক্য আছে। মই সংঘৰ্ষ কৰি কৰি ইয়ালৈকে আহিছো। লগতে তেওঁ কয় যে বিদেশী আৰু স্বদেশীৰ মাজত এইবাৰ যুঁজ হ'ব। ১০ ছেপ্টেম্বৰৰ পিছত আৰু বহু উত্তৰ দিব লাগিব গৌৰৱ গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰচিবিৰ বিজয় পেৰেডত পদপিষ্ট হৈ মৃত্যু

বাহিৰত সমৱেত হোৱা অনুৰাগীৰ ভিৰৰ মাজত পদপিষ্ট হৈ মৃত্যুক সাবটি লয় এগৰাকী মহিলা আৰু এটি শিশুকে ধৰি কমেও ১১ জনে। এই ঘটনাত ৫০ জনতকৈ অধিক লোক আহত হোৱা বুলি জানিব পৰা গৈছে, যাৰ বাবে মৃতকৰ সংখ্যা বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। উল্লেখ্য যে ১৮ বছৰৰ মূৰত প্ৰথমবাৰৰ বাবে আই পি এল ২০২৫ ৰ খিতাপ দখল কৰা আৰ চি বিয়ে চিন্নস্বামী ষ্টেডিয়ামত আয়োজন কৰিছিল দলৰ বিজয় উৎসৱ। সেই সময়ত ষ্টেডিয়ামৰ বাহিৰত সমৱেত হৈছিল কেইবাহাজাৰ অনুৰাগী। সেই ভিৰৰ মাজতে সংঘটিত হয় পদপিষ্টৰ ঘটনা। জানিব পৰা মতে, কিউবান পাৰ্কৰ সমীপৰ গেটৰ মাজেৰে শ শ লোকে ষ্টেডিয়ামত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাৰ সময়তে এই উত্তেজনাৰ সৃষ্টি হয়। এই মৰ্মান্তিক ঘটনাৰ পিছতে মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়া ততাতৈয়াকৈ ব'ৰিং হাস্পতালত উপস্থিত হয়। ইফালে, ঘটনাৰ সময়ত আহতসকলৰ একাংশক আন অনুৰাগীয়ে চিপিআৰ প্ৰদান কৰে। ষ্টেডিয়ামৰ আশেপাশে থকা প্ৰচণ্ড যান-জঁটৰ বাবে আৰক্ষীয়ে অতি কঠোৰ পৰিশ্ৰম কৰি আহতসকলক চিকিৎসালয়লৈ স্থানান্তৰিত কৰিব লগা হয়। বহুতকে আৰক্ষীৰ গাড়ী, এম্বুলেন্স, আনকি ব্যক্তিগত গাড়ীৰে চিকিৎসালয়লৈ লৈ যোৱা হয়। আনহাতে, অনুৰাগীয়ে ষ্টেডিয়ামত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে লাঠীচাৰ্জ কৰিবলগীয়া হয় আৰক্ষীয়ে। একাংশ অনুৰাগীয়ে ষ্টেডিয়ামৰ দেৱালৰ ওপৰেৰে উঠিবলৈ চেষ্টা কৰে। সেই পৰিস্থিতিতো আহত হয় কেইবাজনো লোক। ব'ৰিং হাস্পতালৰ সূত্ৰই জনোৱা মতে, বহু আহত লোকক তালৈ অনা হৈছে আৰু তেওঁলোকৰ সঠিক সংখ্যা গণনা কৰাটো কঠিন। বহু আহতক বৈদেহী হাস্পতাল আৰু ষ্টেডিয়ামৰ সমীপৰ অন্যান্য চিকিৎসালয়তো ভৰ্তি কৰা হৈছে। আনহাতে, ৰাজ্য চৰকাৰে আৰচিবিৰ খেলুৱৈসকলক সম্বৰ্ধনা জনোৱা বিধান সৌধাত একাংশ লোক অজ্ঞান হৈ পৰাৰ খবৰ পোৱা গৈছে। বৰষুণৰ বাবে ৰিচেপচন চুটি কৰা হয়। ইয়াৰ পূৰ্বে মঙলবাৰে নিশাও পিনিয়াত আই পি এলৰ ট্ৰফী জয় কৰাৰ পিছত জয়ৰ উদযাপন কৰি থকা অৱস্থাত এজন যুৱকক অচিনাক্ত দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰে। ইফালে বিজয়োৎসৱৰ সময়ত সংঘটিত এই ঘটনাক লৈ কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰক দোষাৰোপ কৰিছে বিৰোধীয়ে। কৰ্ণাটক বিজেপিয়ে তেওঁলোকৰ চৰকাৰী 'এক্স' হেণ্ডেলত ক্ষোভ প্ৰকাশ কৰি কয় যে "কোনো মৌলিক ব্যৱস্থা নাছিল। নিৰীহ লোকৰ মৃত্যুৰ সময়ত কেৱল দেখা গৈছিল বিশৃংখলতা।" তেওঁলোকে লগতে কয় যে মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়া আৰু উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে ক্ৰিকেটাৰৰ সৈতে ৰিল বনোৱাত ব্যস্ত হৈ পৰিছিল। এয়া অত্যন্ত লজ্জাজনক আৰু কংগ্ৰেছ চৰকাৰৰ অপৰাধমূলক গাফিলতিৰ বাবেই এই ঘটনা হ'বলৈ পালে বুলি ক্ষোভ প্ৰকাশ কৰে বিজেপিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সকলো থাকিও একাকীত্ব! আত্মহনন

কৰুণ ঘটনাক লৈ সমগ্ৰ জিলাখনত সৃষ্টি হৈছে ব্যাপক চাঞ্চল্যৰ। লক্ষণীয়, দেওমৰনৈ আৰু মহলীয়াপাৰাৰ মধ্যৱৰ্তী গড়গড়ি গাঁৱৰ প্ৰায় ৭৫ বছৰীয়া ভদ্ৰ বৰুৱা আৰু তেওঁৰ পত্নী তথা ৭০ বছৰীয়া জয়মতী বৰুৱাক আজি পুৱা প্ৰায় ৭ বজাত শোৱনি কোঠাত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয়। বৰুৱা দম্পতীৰ দুই নাতিনী নিশাৰ ভাগত ককাক-আইতাকৰ সৈতে থকাৰ বাবে পুৱা সাৰ পাই দুয়োকে মাত দিয়ে যদিও কোনো ধৰণৰ সঁহাৰি নাপাই পিতৃ-মাতৃক খবৰ দিয়ে। লগে লগে চুবুৰীয়াৰ সৈতে বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ আহি চিপ লৈ থকা অৱস্থাত দুয়োকে এটা কোঠাতে প্ৰত্যক্ষ কৰে। পিছত কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত ভদ্ৰ-জয়মতীক নমাই অনা হয়। আৰক্ষীয়ে দুয়োৰে মৃতদেহ মঙলদৈ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। স্থানীয় লোকৰ ভাষ্য অনুসৰি মৃত দম্পতীটোৰ ৩ গৰাকীকৈ পুত্ৰ-বোৱাৰী আছিল যদিও কোনো এগৰাকীয়েই লগত নাছিল। বৰুৱাৰ কনিষ্ঠ পুত্ৰ শৰৎ বৰুৱাই এছএছবিত চাকৰি কৰাৰ বাবে বদলি হৈ শেহতীয়াভাৱে মঙলদৈৰ চেনিয়ালপাৰা এছএছবি ইউনিটত আছে। আনহাতে মাজু পুত্ৰ দিলীপ বৰুৱা কৰ্মসূত্ৰে গুজৰাটত আৰু জ্যেষ্ঠ পুত্ৰ মথুৰা বৰুৱা খেতি-বাতি কৰি একেখন গাঁৱতে থাকে যদিও পিতৃ-মাতৃৰ পৰা নিলগত পামঘৰত বাস কৰে। ভদ্ৰ বৰুৱা আৰু জয়মতী বৰুৱাৰ দুই নাতিনীহে একেটা ঘৰৰ সুকীয়া কোঠাত বাস কৰে। ভদ্ৰ বৰুৱা আৰু জয়মতী বৰুৱা দুয়ো কৰ্মঠ হৈ থকাৰ বাবে সঘনাই নিজৰ লগতে দুই নাতিনীৰ বাবেও ৰন্ধা-বঢ়া কৰি আহিছিল। কালিৰ দিনটোৰ আগলৈ ওচৰ-চুবুৰীয়াই পৰিয়ালটোক এনেদৰেই প্ৰত্যক্ষ কৰি আহিছিল। কিন্তু কালি আবেলিৰে পৰা জয়মতী বৰুৱাক কিছু বিমৰ্ষ অৱস্থাত নাতিনীয়েকে প্ৰত্যক্ষ কৰে। আনকি নিশা খোৱা-লোৱা কৰাৰ সময়তো বাৰে বাৰে 'কিয়নো গৈছিলো' জাতীয় প্ৰসংগৰ অৱতাৰণা কৰি উচপিচ কৰি থকা বুলি নাতিনীয়েকে আজি সদৰী কৰে। কিশোৰীগৰাকীয়ে বিষয়টো বিস্তাৰিতভাৱে ব্যাখ্যা কৰিব পৰা নাই যদিও অভিযোগ কৰি কয় যে কালি সমীপৰ মন্দিৰলৈ যোৱাৰ পিছত কোনো বিষয়ত অসন্তুষ্ট হৈ এনেদৰে মন মাৰি থকা বুলি কয়। অৱশ্যে, দৰঙৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে বৃদ্ধ দম্পতীটোৱে আত্মহননৰ পথ বাছি লোৱাৰ কাৰণ হিচাপে প্ৰাথমিক পৰ্যায়ত নিঃসংগতাকে দোষাৰোপ কৰিছে। বিশেষকৈ ৭ জনীয়া পৰিয়ালত হাঁহি-মাতি থকাৰ সলনি নিঃসংগভাৱে কটোৱাৰ বাবে বিগত কিছুদিন ধৰি মানসিক হীনমন্যতাৰ চিকাৰ হয় বুলি দাবী কৰে। এই সন্দৰ্ভত আগন্তুক দিনত আৰক্ষীয়ে সঠিক তদন্ত চলালে আত্মহননৰ মূল কাৰণ ওলাই পৰিব বুলি সকলোৱে দাবী কৰিছে। কিন্তু, দৈনিক অপৰাধৰ জাপ জাপ নথিৰ বোজাত ককবকাই থকা আৰক্ষীৰ অপৰাধ অনুসন্ধানৰ বাবে সময় ওলাবনে? বিষয়টো পৰৱৰ্তী সময়ত স্পষ্ট হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নীতি পালন কৰক! ডিজিপি, মুখ্য

কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিয়ে। ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষৰীয়া অঞ্চলত অবাধে চলি থকা অবৈধ পাহাৰ খনন সম্পৰ্কে এজন চৰকাৰী কৰ্মচাৰীয়ে দিয়া অভিযোগৰ পাঁচমাহৰ পিছত বিষয়টো নিশ্চিত কৰি এই নিৰ্দেশ দিয়া হৈছে। চৰকাৰী কৰ্মচাৰীগৰাকীয়ে অভিযোগ উত্থাপন কৰিছে যে উচ্চতম ন্যায়ালয়ে ২০১৯ চনৰ ১২ এপ্ৰিলৰ স্পষ্ট নিৰ্দেশ দিয়াৰ পিছতো অবৈধ খনন কাৰ্য অব্যাহত আছে। উল্লেখ্য যে উক্ত নিৰ্দেশ অনুসৰি কাজিৰঙা-কাৰ্বি আংলঙৰ বন্যপ্ৰাণীৰ কৰিড'ৰত পাহাৰ খননত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। তদুপৰি চিনাক্তকৃত ৯ টা বন্যপ্ৰাণীৰ কৰিড'ৰত নতুনকৈ নিৰ্মাণ কাৰ্য চলোৱাৰ বাবে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান আৰু ৰাজ্য চৰকাৰৰ সচিবক জগৰীয়া কৰা হৈছে। কিন্তু শেহতীয়াকৈ সৰ্বোচ্চ ন্যায়ালয়ৰ কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিক এগৰাকী চৰকাৰী কৰ্মচাৰীয়ে অবৈধ খনন চলি থকা বুলি অভিযোগ দিয়াৰ পিছত আন এক ভয়াৱহ ছবি পোহৰলৈ আহিছে। তেওঁ অভিযোগ কৰে যে বৰ্তমানেও সংৰক্ষিত অঞ্চলটোৰ ভিতৰত প্ৰায় ১২ টা অবৈধ খনি সক্ৰিয় হৈ আছে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে অবৈধভাৱে এই খনন চলাবলৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে। তেওঁ অভিযোগ কৰে খনন চলি থকাৰ বাবে বৰজুৰি জলপ্ৰপাতৰ পানী কাজিৰঙাৰ ভিতৰলৈ সোমাই আহিছে। আনকি, খননকাৰীয়ে দুটা কালভাৰ্ট নিৰ্মাণ কৰি সেই পানী কাজিৰঙাৰ ভিতৰলৈ বৈ যোৱাৰ ব্যৱস্থা কৰি খনন কাৰ্যৰ বাবে সুবিধা কৰি লৈছে। ২০১৮ চনৰ পৰা ২০২৪ চনলৈকে গুগল আৰ্থৰ ছবি সৰ্বোচ্চ ন্যায়ালয়ৰ কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিক দাখিল কৰিছে নাম প্ৰকাশ কৰিবলৈ অনিচ্ছুক চৰকাৰী কৰ্মচাৰীগৰাকীয়ে। অভিযোগকাৰীয়ে এইক্ষেত্ৰত কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিৰ ভূমিকা, আৰক্ষীৰ নিষ্ক্ৰিয়তা আৰু ২০১৯ চনৰ পিছৰ খনন অনুজ্ঞাপত্ৰৰ বৈধতাৰ জৰুৰী তদন্ত বিচাৰিছিল। আবেদনৰ পিছতে সৰ্বোচ্চ ন্যায়ালয়ৰ কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিয়ে অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ পৰা এই সম্পৰ্কে তথ্যভিত্তিক প্ৰতিবেদন বিচাৰে। তাৰপিছত প্ৰধান মুখ্য বন সংৰক্ষকে কিছুমান খনন অনুমতি স্থগিত ৰখাকে ধৰি গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিশদ বিৱৰণীৰে প্ৰতিবেদন দাখিল কৰে। অৱশ্যে কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিয়ে ২০২৫ চনৰ ২০ মাৰ্চত এখন পত্ৰযোগে পৰিৱেশ আৰু বন বিভাগৰ বিশেষ মুখ্য সচিবক এই অনুজ্ঞাপত্ৰ সমূহ কেৱল স্থগিত ৰখাৰ পৰিৱৰ্তে বাতিল কৰিবলৈ আহ্বান জনায়। শেহতীয়া এক বৈঠকৰ সময়ত সমিতিয়ে দাবী কৰে যে ২০১৮ আৰু ২০১৯ চনত অনুমতি বাতিল কৰা আৰু বন্ধ কৰাৰ জাননী জাৰি কৰাকে ধৰি অবৈধ খনন বন্ধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত কোনো নতুন অনুমতি প্ৰদান কৰা হোৱা নাই। কিন্তু লক্ষণীয় কথাটো হ'ল যে ২০২৫ চনৰ ৯ মে'ৰ এখন বৈঠকৰ সময়ত এটা জটিল কথা পোহৰলৈ আহে। ২০২৫ চনৰ ৫ মে'ত গুৱাহাটী উচ্চ ন্যায়ালয়ে দুটা খনিৰ খননত অনুমতি প্ৰদান কৰিছিল কিন্তু ইয়াৰ পূৰ্বে ২০১৯ চনৰ ১২ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে দিয়া বিস্তৃত নিষেধাজ্ঞাৰ আদেশৰ বিষয়ে উচ্চ ন্যায়ালয়ক অৱগত কৰাই হোৱা নাছিল। সেয়েহে এতিয়া উচ্চতম ন্যায়ালয়ৰ কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিয়ে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মানি চলাৰ লগতে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ বিষয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ক তৎকালীনভাৱে অৱগত কৰাৰ লগতে ২০২৫ চনৰ ৫ মে'ৰ নিৰ্দেশ পুনৰীক্ষণৰ বাবে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ আৰু অসম বন বিভাগক নিৰ্দেশ দিছে। কাৰ্বি আংলঙৰ পাহাৰত কোনো ধৰণৰ অবৈধ খনন বা অবৈধ ভাৱে খনন কৰা সামগ্ৰী পৰিবহণ নহয়, তাৰ ওপৰত নজৰ ৰাখিবলৈ অসমৰ ডিজিপি আৰু সংশ্লিষ্ট আৰক্ষী অধীক্ষকসকলক সমিতিখনে নিৰ্দেশ দিছে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে ২০২৫ চনৰ অক্টোবৰৰ ভিতৰত সমিতিক এক বিস্তৃত জলভাগ নিষ্কাষণৰ বিশ্লেষণাত্মক প্ৰতিবেদন দাখিল কৰিব লাগিব। জলভাগৰ সীমা বৈজ্ঞানিকভাৱে নিৰ্ধাৰণ আৰু পৰীক্ষা নকৰালৈকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু বাঘ সংৰক্ষিত বনাঞ্চলৰ পানী ওলাই যোৱা অঞ্চলত কোনো খনন বা নিৰ্মাণ কৰিব নোৱাৰিব। লগতে কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিয়ে নিৰ্দেশ দিছে যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে পৰিৱেশৰ নীতি-নিয়ম উলংঘা নহয় বুলি নিশ্চিত কৰিব লাগিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বিলঙৰ পৰা ওভতাৰ সময়ত দুৰ্ঘটনাই

সৃষ্টি হৈছে। পৰিয়ালৰ অজ্ঞাতে ঘৰৰ পৰা গৈ তিনি যুৱক আৰু এগৰাকী যুৱতীৰ সৈতে ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হৈ কেৱল নম্ৰতা বৰাই মৃত্যুক আঁকোৱালি লয়। আনহাতে তিনি যুৱক আৰু যুৱতীগৰাকী সংকটজনক অৱস্থাত হাস্পতালত চিকিসাধীন হৈ আছে। ২৫ বছৰীয়া নম্ৰতাৰ ঘৰ হৈছে গোলাঘাট জিলাৰ নুমলীগড়ত, তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কনিষ্ঠ অধিবক্তা। কালি নিশা ১.৪০ বজাত গুৱাহাটীৰ ৰুক্মিণীগাঁৱৰ নেহা এপাৰ্টমেণ্টৰ পৰা নম্ৰতা ওলাই গৈছিল। নম্ৰতাৰ সৈতে নিশা মণ্ডলদৈৰ গায়ত্ৰী বৰা, সোণাৰিৰ প্ৰজ্ঞা বৰা, গোলাঘাটৰ মৃগাংক বৰা আৰু গুৱাহাটীৰ আনায়াতুল ৰাটুছ আছিল বুলি তথ্য লাভ কৰা গৈছে। ৫ বন্ধু-বান্ধৱীৰ সৈতে ফ্লেটৰ পৰা ওলাই যোৱা নম্ৰতাৰ মৃত্যু হয় মেঘালয়ৰ ৰিভই জিলাত। পুৱতি নিশা অসমৰ সীমান্তৱৰ্তী মেঘালয়ৰ ৰিভয় জিলাত এখন বাহন ভয়ংকৰ দুৰ্ঘটনাত পতিত হয়। তীব্ৰবেগী ট্ৰাকে পিছফালৰ পৰা খুন্দিয়ায় নম্ৰতা থকা হুণ্ডাইখনত। উক্ত বাহনখনত পিছৰ আসনত বহি আছিল নম্ৰতা। নম্ৰতাই মূৰ, বুকুত আঘাত পোৱাৰ লগতে শৰীৰৰ বিভিন্ন ঠাইৰ পৰা ৰক্তক্ষৰণ হোৱাত ততাতৈয়াকৈ শ্বিলঙলৈ নিছিল যদিও ডাক্তৰে মৃত ঘোষণা কৰে। সন্দেহ কৰা মতে, নম্ৰতা আৰু বন্ধুসকলে শ্বিলঙত ঘূৰি উভতি অহাৰ পথত এই দুৰ্ঘটনা সংঘটিত হৈছে। ইতিমধ্যে পৰিয়ালে শ্বিলঙৰ নংপো চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ অন্তত নম্ৰতাৰ মৃতদেহ চমজি লয়। এলএলবি উত্তীৰ্ণ নম্ৰতা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা। দুই বান্ধৱীৰ সৈতে ৰুক্মিণীগাঁৱৰ নেহা এপাৰ্টমেণ্টত ভাড়াত আছিল নম্ৰতা বৰা। নম্ৰতাৰ মৃত্যুক সহজভাৱে ল'ব পৰা নাই পৰিয়ালৰ লোকে। মাতৃয়ে কয় যে ঘৰত নোকোৱাকৈ ক'তো নাযায় নম্ৰতা। মাতৃয়ে দুৰ্ঘটনাত মৃত্যু হোৱাৰ কথা সহজভাৱে লোৱা নাই। মাতৃয়ে কয় যে এয়া এক পৰিকল্পিত ঘটনা। চিকিৎসালয়লৈ বুলি ওলাই গৈছিল নম্ৰতা। কিন্তু কেনেকৈ পালেগৈ মেঘালয়? নিশা ১২ বজালৈকে কথা পাতিছিল। মেঘালয়লৈ যোৱাৰ সময়ত নম্ৰতাৰ সৈতে আছিল ৩ জন যুৱক আৰু ২ গৰাকী যুৱতী। যদি দুৰ্ঘটনাই আছিল তেন্তে নম্ৰতাৰ সৈতে যোৱা সতীৰ্থকেইজন পলাইছিল কিয়? মাজনিশা ৰুমৰ দৰ্জা বন্ধ নকৰাকৈ কিহৰ বাবে ওলাই গৈছিল নম্ৰতা- প্ৰশ্ন মাতৃৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাক লিংক! আকৌ গ্ৰেপ্তাৰ ইউটিউবাৰ

আকৌ গ্ৰেপ্তাৰ হ'ল জনপ্ৰিয় ইউটিউবাৰ। আইএছআইৰ হৈ চোৰাংচোৱাগিৰিৰ অভিযোগত পঞ্জাৱৰ সাহিবজাদা অজিত সিং নগৰ জিলাৰ বিশেষ অভিযান কোষে গ্ৰেপ্তাৰ কৰে ইউটিউবাৰজনক। পঞ্জাৱৰ আৰক্ষী সঞ্চালকপ্ৰধান গৌৰৱ যাদৱে অভিযুক্তক ৰূপনগৰ জিলাৰ মাহলান গাঁও নিবাসী জছবীৰ সিং ওৰফে জান মহল (৪১) বুলি চিনাক্ত কৰিছে। উল্লেখ্য যে 'জানমহল ভিডিঅ' নামেৰে এটা ইউটিউব চেনেলত ভ্ৰমণ আৰু ৰন্ধন সম্পৰ্কীয় ভিডিঅ' আপলোড কৰিছিল জছবীৰ সিঙে। ডিজিপি যাদৱে কয় যে সন্ত্ৰাসবাদীৰ চোৰাংচোৰা নেটৱৰ্কৰ অংশ বুলি অভিযোগ উত্থাপিত পাকিস্তানী চোৰাংচোৰা অপাৰেটিভ ( পিআইঅ') ছাকিৰ ওৰফে জাট ৰান্ধৱাৰ সৈতে সম্পৰ্ক আছিল জছবীৰ সিঙৰ। তেওঁ লগতে উল্লেখ কৰে যে পূৰ্বে পাকিস্তানৰ হৈ চোৰাংচোৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হাৰিয়ানাৰ সুন্দৰী ইউটিউবাৰ জ্যোতি মালহোত্ৰা আৰু পাকিস্তান উচ্চায়ুক্তৰ প্ৰাক্তন বিষয়া পাকিস্তানী নাগৰিক এহছান-উৰ-ৰহিম ওৰফে ডেনিছৰ সৈতেও ভাল সম্পৰ্ক আছিল জছবীৰ সিঙৰ। এই অভিযানৰ সবিশেষ দি সহকাৰী আৰক্ষী মহাপৰিদৰ্শক (এআইজি) ৰৱজোত গ্ৰেৱালে কয় যে আৰক্ষীৰ দলে জছবীৰ সিং আইএছআইৰ এজেণ্টকে ধৰি বিভিন্ন পাকিস্তানী সংস্থাৰ সৈতে যোগাযোগ থকাৰ নিৰ্ভৰযোগ্য তথ্য লাভ কৰিছে। তেওঁ পাকিস্তানী হেণ্ডলাৰক ভাৰতীয় সেনা আৰু অন্যান্য আভ্যন্তৰীণ পৰিক্ৰমা সম্পৰ্কীয় স্পৰ্শকাতৰ তথ্য প্ৰদান কৰিছিল বুলি অভিযোগ উঠিছে। গ্ৰেৱালে কয়, "গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ প্ৰাৰম্ভিক মোবাইল ফোন ফৰেনছিকৰ পৰা প্ৰায় ১৫০ জন পাকিস্তানী যোগাযোগ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত আছে আই এছ আইৰ কৰ্মী, পাকিস্তান উচ্চায়ুক্তৰ বিষয়া আৰু পাকিস্তানৰ অন্যান্য সংস্থাৰ মোবাইল নম্বৰ।" ভাৰতীয় দণ্ডবিধিৰ ১৫২ আৰু ৬১(২) ধাৰা, আৰু চৰকাৰী গোপনীয়তা আইনৰ ৩, ৪, আৰু ৫ নং ধাৰাত অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। একাংশ ইউটিউবাৰে পাকিস্তানক সহায় কৰাৰ অভিযোগক দেশবাসীয়ে সহজভাৱে লব পৰানাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকত বান পৰিদৰ্শন গৌৰৱ গগৈৰ

কিছু উন্নত হ'লেও ৰাজ্যজুৰি অব্যাহত আছে বান বিভীষিকা। বিগত কেইবাদিনৰ নেৰানেপেৰা বৰষুণৰ ফলত জেঠমহীয়া বানত প্লাবিত হৈছে ন ন অঞ্চল। বৰাক উপত্যকাত বান পৰিস্থিতি জটিল হৈ পৰাৰ লগতে ব্ৰহ্মপুত্ৰ উপত্যকাটো নতুনকৈ পানীত ডুব গৈছে কেইবাটাও অঞ্চল। নতুনকৈ মথাউৰী ভাঙি প্লাবিত গৈছে উজনি অসমৰ কেইবাটাও অঞ্চল। ডুলিয়াজান, খোৱাং, নুমলীগড়, বোকাখাত, খুমতাই, দেৰগাঁও আদি অঞ্চলত বাঢ়নী পানীত ডুব গৈছে কেইবাখনো গাঁও। বছৰৰ প্ৰথমটো বানৰ কবলত পৰিছে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানো। তথ্য অনুসৰি বানত ডুব গৈছে ৰাষ্ট্ৰীয় উদ্যানখনৰ মুঠ ২৩৩টা বন শিবিৰৰ ভিতৰত ৪৫টা বন শিবিৰ। বিশেষকৈ বানৰ কবলত পৰিছে ৰাষ্ট্ৰীয় উদ্যানখনৰ ষষ্ঠ সংযোজন। যাৰ ফলত এতিয়া নিকটৱৰ্তী ওখ ঠাইলৈ ঢাপলি মেলিছে ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণী। কাজিৰঙাৰ সমান্তৰালকৈ জেঠমহীয়া বানৰ কবলত পৰিছে ওৰাং ৰাষ্ট্ৰীয় উদ্যানো। ব্ৰহ্মপুত্ৰ, ধনশিৰী আৰু পাচনৈৰ বাঢ়নী পানীয়ে প্লাবিত কৰিছে ৰাষ্ট্ৰীয় উদ্যানখনৰ ৪০% অঞ্চল। পানীত কবলত পৰিছে ৰাষ্ট্ৰীয় উদ্যানখনৰ ১২টাকৈ বন শিবিৰ। ইপিনে ধুবুৰী জিলাৰ ফকীৰগঞ্জ পাছমাৰী অঞ্চলত পানীত পৰি সন্ধানহীন হৈছে এগৰাকী ১৫ বছৰীয়া যুৱক। এতিয়াও সন্ধানহীন হৈ থকা যুৱকজন নৱম শ্ৰেণীৰ ছাত্ৰ আৰিফুল ইছলাম বুলি জানিব পৰা গৈছে। কামৰূপ জিলাৰ হাজোতো সংঘটিত হৈছে একেই ঘটনা। হাজোৰ মিলপাৰা আৰু তাপাবাৰীক সংযোগী এখন বাঁহৰ দলং পানীয়ে উটুৱাই নিয়াত সন্ধানহীন হৈ আছে আন এজন যুৱক। বছৰৰ প্ৰথমটো বানে ৰাজ্যৰ ভিন্ন প্ৰান্তত তাণ্ডৱ চলোৱাৰ সময়তে আজি বান পৰিস্থিতিৰ বুজে ল'বলৈ বৰাক উপত্যকাত উপস্থিত হয় কংগ্ৰেজৰ নৱ নিৰ্বাচিত সভাপতি গৌৰৱ গগৈ। শিলচৰত উপস্থিত হৈ গৌৰৱ গগৈয়ে কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে আৰু বানপীড়িতৰ সমস্যাৰ বুজ লয়। সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি বৰাকৰ বানপানীক লৈ যথেষ্ট চিন্তিত বুলি মন্তব্য কৰে গৌৰৱ গগৈয়ে। তাৰ সমান্তৰালভাৱে বৰাকৰ বান সমস্যাক চৰকাৰে পৰ্যাপ্ত গুৰুত্ব নিদিয়াৰো অভিযোগ উত্থাপন কৰে গৌৰৱ গগৈয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'জান, জুৰি পৰ্বত আমি ধ্বংস হ'বলৈ নিদিওঁ'

কাৰ্বি আংলং সৌৰশক্তি প্ৰকল্প প্ৰভাৱিত গণ অধিকাৰ সমিতিয়ে আজি গুৱাহাটী প্ৰেছ ক্লাবত এখন সংবাদমেল সম্বোধন কৰি কাৰ্বি আংলঙৰ ১০০০ মেগাৱাটৰ সৌৰশক্তি প্ৰকল্প স্থাপনৰ সিদ্ধান্ত সম্পূৰ্ণৰূপে বাতিল কৰাৰ দাবী জনাইছে। সুব্ৰত তালুকদাৰ, বিক্ৰম হাঙ্গে, জন ইংতি কাথাৰ, শান্তনু বৰঠাকুৰ, প্ৰণৱ দলেয়ে সংবাদমেল সম্বোধন কৰি সিদ্ধান্ত বাতিল নকৰিলে প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ প্ৰদান কৰিছে। ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি আৰু কাৰ্বি আংলং সৌৰশক্তি প্ৰকল্প প্ৰভাৱিত গণ অধিকাৰ সমিতিৰ যৌথ সংবাদমেলখনত নেতাদ্বয়ে কয় যে তৃণমূল পৰ্যায়ৰ জনগণৰ ব্যাপক ক্ষোভৰ ফলত এছিয়ান ডেভেলপমেণ্ট বেংকে এই প্ৰকল্পৰ নামত ৫০ শতাংশ লোন হিচাপে দিবলগীয়া ৪০০০ কোটি টকা বাতিল কৰিছে। এই ছেগতেই এই সমগ্ৰ প্ৰকল্পটো বাতিল কৰিব লাগে। কাৰ্বি আংলঙৰ প্ৰায় ১৮০০০ বিঘা মাটিৰ প্ৰস্তাৱিত ১০০০ মেগাৱাটযুক্ত সৌৰশক্তি প্ৰকল্পটোৰ ফলত প্ৰায় ২০০০০ কাৰ্বি, নগা, আদিবাসী মানুহে জীৱন-জীৱিকা হেৰুৱাব লগা হ'ব বুলি আমি আগতে বাৰম্বাৰ কৈ আহিছো। সংবিধানৰ ষষ্ঠ অনুসূচীৰ সকলো নীতি নিয়ম ভংগ কৰা এই প্ৰকল্পটো বাতিল কৰিব লাগে বুলি স্থানীয় জনগণে বহুবাৰ আন্দোলন কৰিছে। গুৱাহাটী পৰ্যন্ত আন্দোলনৰ কাৰ্যসূচী লোৱা হৈছিল। আন্দোলনৰ উপৰি কাগজে-পত্ৰই এছিয়ান ডেভেলপমেণ্ট বেংকক (এডিবি) বহুবাৰ আবেদন কৰা হৈছিল যে মানুহৰ জীৱন-জীৱিকা বিৰোধী এই সৌৰশক্তি প্ৰকল্পটোৰ পুঁজি বাতিল কৰিব লাগে। সেইমৰ্মে ডিমাপুৰত এডিবিৰ বিষয়ববীয়াৰ লগত ৰাজহুৱা শুনানি কাৰ্যসূচী হৈছিল আৰু পৰৱৰ্তী পৰ্যায়ত ইটালীৰ মিলানত এডিবিৰ বোৰ্ড অৱ ডিৰেক্টৰৰ বৈঠকত এই আন্দোলনৰ অন্যতম নেতৃত্ব প্ৰণৱ দলে আৰু বিক্ৰম হাঙ্গেই ৰাইজৰ হৈ প্ৰকল্পটোৰ বিৰোধিতাৰে বক্তব্য প্ৰদান কৰিছিল। এই কথাবোৰ এডিবিয়ে ভালকৈ শুনিছিল আৰু ইয়াৰ ফলত সৌৰশক্তি প্ৰকল্পটো বাতিল হ'ল। আজিৰ দিনত এয়া ৰাইজৰ আন্দোলনৰ এক বৃহৎ বিজয়। যি সময়ত ৰাইজৰ আন্দোলনৰ ফলত এডিবিৰ ৪০০০ কোটি পুঁজি বন্ধ হোৱাৰ পৰিস্থিতি সৃষ্টি হ'ল, ঠিক সেই সময়তেই কিন্তু অসম চৰকাৰ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কেইবাটাও মিছা স্বৰূপ পোহৰলৈ আহিছে। এই প্ৰকল্পটোৰ ক্ষেত্ৰত অসম চৰকাৰ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ পৰা বহু ভুল তথ্য এডিবিক প্ৰদান কৰা হৈছিল। প্ৰস্তাৱিত প্ৰকল্পটোৰ ১৮০০০ বিঘা মাটি পতিত মাটি (Barren Land) হিচাপে দেখুওৱা হৈছিল। অথচ সেই মাটিত বহু বছৰৰ পৰা স্থানীয় খেতিয়কে খেতি কৰি আহিছে। এনেদৰে ভুল তথ্যৰে কাৰোবাক প্ৰভাৱিত কৰিব খোজাটো এক মাৰাত্মক অপৰাধ। আমি আজি সংবাদমেলযোগে অসম চৰকাৰ আৰু ইয়াৰ সংশ্লিষ্ট বিভাগসমূহক ক'ব খুজিছো যে ভৱিষ্যতে যাতে কমিছন আৰু ব্যক্তিগত মুনাফাৰ কাৰণে ৰাইজক অন্ধকাৰত ৰাখি ভুল তথ্যৰে কাকো প্ৰভাৱিত নকৰে। এয়া সামগ্ৰিকভাৱে ৰাজ্যখনৰ কাৰণে লাজৰ কথা। ইয়াৰ লগতে আজি সংবাদমেলত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তুলিৰাম ৰংহাংক সকীয়াই নেতাসকলে কয় যে সৌৰশক্তি প্ৰকল্পৰ পুঁজি বাতিল হোৱাৰ পিছত তুলিৰাম ৰংহাঙে কিছুমান ভুল কথাৰে সাধাৰণ মানুহক বিভ্ৰান্ত কৰিছে। সদায় কমিছনৰ অংকত থকা তুলিৰাম ৰাইজৰ এই প্ৰতিবাদত শংকিত আৰু ভাৰসাম্যহীন হৈ পৰিছে। ফলত তেওঁ এপিএইচএলচিৰ অধ্যক্ষ জন ইংতি কাথাৰ আৰু ৰাজনৈতিক কৰ্মী প্ৰণৱ দলেৰ বিৰুদ্ধে আবোল-তাবোল বকিবলৈ আৰম্ভ কৰিছে। আমি এটা কথা স্পষ্ট কৰি দিব বিচাৰিছো যে তুলিৰামে কোৱাৰ দৰে আমি কেতিয়াও উন্নয়ন বিৰোধী নহয়। আমাক উন্নয়ন লাগিবই। কিন্তু উন্নয়নৰ ফলত যাতে সাধাৰণ মানুহৰ জীৱন-জীৱিকা ক্ষতি নহয় আৰু পৰিৱেশৰ ওপৰত ব্যাপক বেয়া প্ৰভাৱ নপৰে সেইটো মূল বিষয় হিচাপে লক্ষ্য ৰাখিব লাগিব। সমগ্ৰ বিশ্বত সেই কাৰণে বহনক্ষম উন্নয়নত (Sustainable Development) গুৰুত্ব দিয়া হৈছে। আনহাতে অসমত উন্নয়নৰ নামত পাহাৰ, পৰ্বত, জান, জুৰি, জলাশয়, সৰু সৰু মানুহৰ জীৱন-জীৱিকা সমূলঞ্চে ধ্বংস কৰা হৈছে। ট্ৰাইবেল বেল্ট আৰু ব্লক আৰু ষষ্ঠ অনুসূচীৰ সকলো নিয়ম ভংগ কৰা হৈছে। আমি এই কাৰ্যৰহে বিৰোধী। অৱশ্যে তুলিৰামৰ আগত এইবোৰ কথা 'বান্দৰে নাৰিকলৰ মোল বুজি নোপোৱা' লেখীয়া কথা। তুলিৰাম ৰংহাঙে প্ৰণৱ দলেক হত্যাকাৰী বুলি ৰাজহুৱা মন্তব্য দিছে। এই কথা প্ৰণৱ দলেৰ প্ৰতি চৰম অপমানজনক। এই মন্তব্যৰ বাবে তুলিৰাম ৰংহাঙে ক্ষমা খুজিব লাগে। আজিৰ সংবাদমেলযোগে আমি কেইটামান দাবী স্পষ্ট কৰি কয় যে কাৰ্বি আংলঙৰ প্ৰস্তাৱিত ১০০০ মেগাৱাট সৌৰশক্তি প্ৰকল্পটো সম্পূৰ্ণৰূপে বাতিল হ'ব লাগে। অসম চৰকাৰে এই ক্ষেত্ৰত শীঘ্ৰে জাননী জাৰি কৰিব লাগে। ষষ্ঠ অনুসূচী আৰু ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ পৰম্পৰাগত ভূমি ধ্বংস কৰা যিকোনো উন্নয়নমূলক প্ৰকল্প বাতিল কৰিব লাগে। তুলিৰাম ৰংহাঙে অসাংবিধানিক আৰু মিছা কথাৰ বাবে ৰাইজৰ ওচৰত ক্ষমা খুজিব লাগে। সংগঠন দুটাৰ নেতৃত্বই লগতে ভূমি অধিকাৰৰ বাবে অসমৰ ৰাইজক ঐক্যবদ্ধ সংগ্ৰামৰ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বীৰ লাচিত সেনাৰ বিৰুদ্ধে ক্ষুব্ধ আহোম!

আহোম জনগোষ্ঠীৰ যুৱকক বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ লগতে কাণত ধৰি আঁঠু কঢ়োৱাই নহয়, সেই ভিডিঅ' ৰাজহুৱা কৰি অপমানিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ (আটাছু) যোৰহাট জিলা সমিতিয়ে বীৰ লাচিত সেনাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। আটাছুৰ যোৰহাট জিলা সমিতিৰ সভাপতি ৰাজীৱ গগৈ আৰু সাধাৰণ সম্পাদক মণ্টু ফুকনে টীয়ক আৰক্ষী থানাত এজাহাৰ দাখিল কৰি আহোম যুৱকক বৰ্বৰভাৱে প্ৰহাৰ কৰি অপমান কৰাৰ অভিযোগ উত্থাপন কৰিছে। জানিব পৰা মতে, ১ জুনত টীয়ক আৰক্ষী থানা এলেকাৰ বলমাৰ দোলাকাষৰীয়া গাঁৱত কৰ্মসূত্ৰে বসবাস কৰি থকা আহোম সম্প্ৰদায়ৰ বিৰক্ত গগৈক বীৰ লাচিত সেনা নামৰ সংগঠনৰ নেতাই শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি দিয়ে। ভুক্তভোগী বিৰক্ত গগৈয়ে ঘটনা সন্দৰ্ভত অৱগত কৰাত সংগঠনটোৱে থানাত এজাহাৰ দাখিল কৰে। সদৌ টাই আহোম ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতিয়ে এনে ঘটনাক তীব্ৰ নিন্দা কৰাৰ লগতে এই ঘটনাৰ লগত জড়িত দোষী ব্যক্তিসকলক গ্ৰেপ্তাৰ কৰি শাস্তি প্ৰদানৰ দাবী জনায়। অন্যথা সদৌ টাই আহোম ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতিয়ে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে। আনহাতে একাংশ আহোম জনগোষ্ঠীৰ লোক এই ঘটনাক লৈ সামাজিক মাধ্যমত সৰৱ হোৱা দেখা গৈছে। এই ঘটনাক লৈ উজনি অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাত গ্ৰেপ্তাৰ দুৰ্নীতিপৰায়ণ

এগৰাকী অসম সন্তান। বিদেশৰ মাটিত অসমৰ সুনাম নষ্ট কৰা এইগৰাকী অসম সন্তান হৈছে প্ৰাক্তন কংগ্ৰেছ নেতা তথা বামুণীমৈদামৰ অনুৰাধা চিনে কমপ্লেক্সৰ স্বত্বাধিকাৰী প্ৰয়াত ফণী শৰ্মাৰ সন্তান তন্ময় শৰ্মা। আমেৰিকাৰ এবিধ ঔষধ প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক চিইঅ' তন্ময় শৰ্মাক ১৪৯ নিযুত ডলাৰৰ স্বাস্থ্য বীমা প্ৰতাৰণাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। ৬১ বছৰীয়া শৰ্মাক লছএঞ্জেলছ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ২৯ মে'ত আটক কৰা হয়। ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰা শৰ্মাই দিল্লীৰ সফদৰজং চিকিৎসালয়ত ইন্টাৰ্ণশ্বিপো সম্পূৰ্ণ কৰিছিল। তেওঁ চ'ভাৰেইন হেলথ গ্ৰুপ নামৰ এবিধ ঔষধ প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক আৰু পূৰ্বৱৰ্তী মুখ্য কাৰ্যবাহী বিষয়া আছিল। আমেৰিকাৰ চৰকাৰী অধিবক্তাৰ কাৰ্যালয়ৰ মতে, শৰ্মাক ১৪৯ নিযুত ডলাৰৰ ভুৱা স্বাস্থ্য বীমা দাবী দাখিল কৰাৰ অভিযোগত ৮টা ধাৰাত অভিযুক্ত কৰা হৈছে। অভিযোগমতে, তেওঁৰ প্ৰতিষ্ঠানে অসাধু উপায়েৰে ৰোগীক বীমা যোজনাত অন্তৰ্ভুক্ত কৰিছিল বুলি জনা গৈছে। ৬১ বৰ্ষীয় তন্ময় শৰ্মা বিগত সময়ছোৱাত ঔষধ নিৰ্মাতা প্ৰতিষ্ঠানৰ ক্ষেত্ৰখনত সমগ্ৰ বিশ্বতে এক চিনাকি নামো হৈ পৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৭ৰ মাৰ্চৰ পৰা হ'ব লোকপিয়ল, জাতি

ওচৰত সেও মানি যোৱা এপ্ৰিলৰ শেষৰ ফালে সমগ্ৰ ভাৰততে জাতি জনগণনাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল মোদী চৰকাৰে। তাৰ পাছতে এইবাৰ ঘোষণা কৰা হ'ল এই জাতি জনগণনাৰ বাবে দিন। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে যে ২০২৭ চনত দেশৰ লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব, আৰু এই প্ৰক্ৰিয়াত প্ৰথমবাৰৰ বাবে জাতিগত তথ্য সংগ্ৰহ কৰা হ'ব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা পোৱা তথ্য অনুসৰি ২০২৬ চনৰ ১ অক্টোবৰৰ পৰা প্ৰথম পৰ্যায়ৰ লোকপিয়ল আৰম্ভ হ'ব। এই পৰ্যায়ত হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, জম্মু-কাশ্মীৰ আৰু লাডাখৰ দৰে চাৰিটা পাহাৰীয়া অঞ্চলত গণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইয়াৰ পিছত ২০২৭ চনৰ ১ মাৰ্চৰ পৰা দ্বিতীয় পৰ্যায় আৰম্ভ হ'ব, য'ত দেশৰ বাকী ৰাজ্যসমূহত একেলগে লোকপিয়ল আৰু জাতিগত গণনা কৰা হ'ব। অন্যহাতে, এই গণনাৰ উদ্দেশ্যে এই বছৰৰে ১৬ জুনত চৰকাৰী ৰাজপত্ৰত এখন অধিসূচনা প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে, যি অধিসূচনা ১৯৪৮ চনৰ লোকপিয়ল আইনৰ ৩ নং ধাৰা অনুসৰি কৰা হ'ব বুলি এক প্ৰেছ বিজ্ঞপ্তিযোগে সদৰী কৰিছে গৃহ মন্ত্ৰালয়ে। অন্যহাতে, এই লোকপিয়ল ভাৰতৰ প্ৰথম ডিজিটেল লোকপিয়ল হ'ব, য'ত মোবাইল এপ আৰু লোকপিয়ল পৰ্টেলৰ সহায়ত তথ্য সংগ্ৰহ কৰা হ'ব। মন কৰিবলগীয়া যে, ১৯৩১ চনৰ পিছত অৰ্থাৎ ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ পিছত প্ৰথমবাৰৰ বাবে ২০২৭ চনত অনুষ্ঠিত হ'ব এই জাতিগত জনগণনা। ইয়াৰ পূৰ্বে যোৱা ৩০ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিয়ে আগন্তুক লোকপিয়লত জাতি গণনাক অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সেই সময়ত কয় যে এই সিদ্ধান্তই সমাজ আৰু দেশৰ স্বাৰ্থ আৰু মূল্যবোধৰ প্ৰতি মোদী চৰকাৰৰ দায়বদ্ধতা প্ৰদৰ্শন কৰে। তেওঁ আৰু অভিযোগ কৰে যে কিছুমান ৰাজ্যই ৰাজনৈতিক উদ্দেশ্যত জাতিগত জৰীপ চলাইছে, যাৰ ফলত স্বচ্ছতা আৰু বস্তুনিষ্ঠতাৰ ওপৰত প্ৰশ্ন উত্থাপন হৈছে। এই প্ৰক্ৰিয়াটো ১৯৪৮ চনৰ লোকপিয়ল আইন আৰু ১৯৯০ চনৰ লোকপিয়ল বিধি অনুসৰি কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰিছিল সেই সময়তে। লক্ষণীয় যে, ২০১১ চনৰ শেষৰটো লোকপিয়ল দুটা পৰ্যায়ত কৰা হৈছিল- প্ৰথম পৰ্যায়টো আছিল ঘৰুৱা পঞ্জীয়ন (২০১০ চনৰ এপ্ৰিলৰ পৰা ছেপ্টেম্বৰলৈ) আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যা গণনা (২০১১ চনৰ ফেব্ৰুৱাৰী)। প্ৰতি দহ বছৰৰ মূৰে মূৰে লোকপিয়ল কৰাৰ প্ৰথা আছিল যদিও ক'ভিড-১৯ মহামাৰীৰ বাবে ২০২১ চনৰ লোকপিয়ল পিছুৱাই দিয়া হৈছিল। ইয়াৰ পূৰ্বে, মনমোহন সিং চৰকাৰৰ দিনত ২০১১ চনত গৃহ পৰিক্ৰমা মন্ত্ৰালয়, গ্ৰামোন্নয়ন মন্ত্ৰালয় আৰু নাগৰিক উন্নয়ন মন্ত্ৰালয়ৰ তত্বাৱধানত আৰ্থ-সামাজিক আৰু জাতিগত লোকপিয়ল (এছইচিচি) অনুষ্ঠিত হৈছিল। কিন্তু এই সমীক্ষাৰ পৰা পোৱা জাতিগত তথ্য কেতিয়াও প্ৰকাশ হোৱা নাই, কেৱল অনুসূচিত জাতি-জনজাতিৰ পৰিয়ালৰ তথ্যহে গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ ৱেবছাইটত প্ৰকাশ কৰা হৈছে। ১৯৪৮ চনৰ লোকপিয়ল আইনত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি গণনাৰ ব্যৱস্থা আছে যদিও অ'বিচি গণনাৰ বাবে আইনখনৰ সংশোধনীৰ প্ৰয়োজন হ'ব। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতত ১২৭০ টা অনুসূচিত জাতি আৰু ৭৪৮ টা অনুসূচিত জাতি সম্প্ৰদায় আছে, যিয়ে জনসংখ্যাৰ ক্ৰমে ১৬.৬ শতাংশ আৰু ৮.৬ শতাংশ গঠন কৰে। অ'বিচিৰ লোকপিয়লত প্ৰায় ২৬৫০ জনগোষ্ঠীৰ তথ্য সংগ্ৰহ কৰিব পৰা যাব। ইফালে, বৰ্তমান লোকপিয়ল প্ৰ-পত্ৰত ২৯টা স্তম্ভ আছে, য'ত নাম, ঠিকনা, বৃত্তি, শিক্ষা, কৰ্মসংস্থাপন, প্ৰব্ৰজন আৰু কেৱল অনুসূচিত জাতি-জনজাতিৰ শ্ৰেণীৰ তথ্য লিপিবদ্ধ কৰা হয়। জাতিগত গণনাৰ বাবে প্ৰ-পত্ৰত অতিৰিক্ত স্তম্ভ যোগ কৰিব পাৰি। এই লোকপিয়লত ঘৰুৱা সুবিধা যেনে টেলিফোন, ইন্টাৰনেট সংযোগ, স্মাৰ্টফোন, চাইকেল, স্কুটাৰ, গাড়ী, খোৱাপানীৰ উৎস, পোহৰৰ উৎস, শৌচাগাৰৰ প্ৰকাৰ, ৰন্ধা-বঢ়াৰ ইন্ধন, টেলিভিছন আদিৰ তথ্যও সংগ্ৰহ কৰা হ'ব। এই প্ৰক্ৰিয়া সম্পূৰ্ণ ডিজিটেল পদ্ধতিৰে চলোৱা হ'ব, য'ত ব্যক্তিসকলে নিজৰ ফোন নম্বৰ ব্যৱহাৰ কৰি স্ব-গণনা কৰাৰ বাবে পৰ্টেলত লগ ইন কৰিব পাৰিব। প্ৰণিধানযোগ্য যে, দীৰ্ঘদিন ধৰি কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে জাতিগত গণনাৰ দাবী জনাই আহিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ২০২৩ চনৰ পৰা বিভিন্ন ৰাজহুৱা সভা আৰু মঞ্চত এই দাবী উত্থাপন কৰি আহিছে। সমাজত সামাজিক ন্যায় সুনিশ্চিত কৰাৰ বাবে এই হিচাপৰ গুৰুত্বৰ ওপৰত তেওঁ আলোকপাত কৰি হেঁচা প্ৰয়োগ কৰি আহিছিল চৰকাৰৰ ওপৰত। আনকি ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনতো কংগ্ৰেছ নেতৃত্বাধীন 'ইণ্ডিয়া' মিত্ৰজোঁটে জাতিগত গণনাক মূল দাবী হিচাপে উত্থাপন কৰিছিল। শেহতীয়াকৈ চৰকাৰে জাতি গণনাৰ বাবে সহমত প্ৰকাশ কৰাৰ পিছতে ইয়াৰ বাবে শ্ৰেয় লোৱাৰ দৌৰত নামি পৰা দেখা গৈছিল কংগ্ৰেছ আৰু আন আন বিৰোধী তথা বিজেপিৰ সহযোগীকো। কংগ্ৰেছে কয়, "কংগ্ৰেছে যেতিয়া জাতি লোকপিয়লৰ কথা কৈছিল, তেতিয়া বিজেপিয়ে ইয়াক নগৰীয়া নক্সালবাদী মতাদৰ্শ বুলি উপহাস কৰিছিল। কিন্তু এতিয়া চৰকাৰে আমাৰ দাবীৰ ওচৰত নতশিৰ কৰি সেই কামটো কৰাৰ সিদ্ধান্ত লৈছে।" আজি জাতি গণনাৰ সময়সূচী ঘোষণা কৰাৰ পিছতো প্ৰতিক্ৰিয়া ব্যক্ত কৰে কংগ্ৰেছে। লোকপিয়লৰ বাবে ইমান দীঘলীয়া সময় অপেক্ষা কৰিবলগীয়া হোৱাক লৈ চৰকাৰ সমালোচনা কৰি কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে 'এক্স'ত লিখিছে, "সঁচাকৈয়ে ২০২১ চনত হ'বলগীয়া লোকপিয়লত আৰু তেত্ৰিশ মাহ পিছুৱাই যোৱাৰ কোনো কাৰণ নাই। মোদী চৰকাৰ কেৱল শিৰোনাম সৃষ্টি কৰিবলৈ সক্ষম, সময়সীমা পূৰণ কৰিবলৈ সক্ষম নহয়।" কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে অৱশ্যে অভিযোগ কৰে যে কংগ্ৰেছ চৰকাৰে সদায় জাতি লোকপিয়লৰ বিৰোধিতা কৰি আহিছে। তেওঁ কয়, "২০১০ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙে সংসদত কৈছিল যে জাতিগত লোকপিয়লৰ বিষয়টো কেবিনেটত আলোচনা হ'ব লাগে। এটা মন্ত্ৰী দল গঠন কৰা হ'ল, আৰু বেছিভাগ ৰাজনৈতিক দলেই গণনাৰ পৰামৰ্শ দিলে। তথাপিও কংগ্ৰেছ চৰকাৰে জাতিগত লোকপিয়লৰ পৰিবৰ্তে, জৰীপ (এছইচিচি) চলোৱাৰ সিদ্ধান্ত লয়। ২০১৩ চনত সম্পূৰ্ণ হোৱা এই সমীক্ষাৰ বাবে ২০১১ চনত ৪৩৮৯ কোটি টকাৰ বাজেট আবণ্টন দিয়া হৈছিল যদিও জাতিগত তথ্য প্ৰকাশ কৰা নহ'ল।" অৱশ্যেই জাতিগত লোকপিয়লৰ দাবী দীৰ্ঘদিন ধৰি চলি আহিছে। আশীৰ দশকত উত্তৰ প্ৰদেশৰ বিএছপি নেতা কাংশীৰামে প্ৰথমে শিক্ষানুষ্ঠান আৰু চাকৰিত জাতিৰ ওপৰত ভিত্তি কৰি সংৰক্ষণৰ দাবী উত্থাপন কৰিছিল। ১৯৭৯ চনত ভাৰত চৰকাৰে মণ্ডল আয়োগ গঠন কৰে, য'ত অ'বিচি সম্প্ৰদায়ৰ বাবে সংৰক্ষণৰ পৰামৰ্শ দিয়া হয়। ১৯৯০ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে এই পৰামৰ্শ কাৰ্যকৰী কৰে, যাৰ ফলত সমগ্ৰ দেশতে সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ২০১০ চনত লালু প্ৰসাদ যাদৱ, মুলায়ম সিং যাদৱৰ দৰে অ'বিচি নেতাই মনমোহন সিং চৰকাৰক জাতি লোকপিয়লৰ বাবে হেঁচা প্ৰয়োগ কৰিছিল। বিহাৰ, তেলেংগানা, কৰ্ণাটকৰ দৰে কিছুমান ৰাজ্যই ইতিমধ্যে নিজাববীয়াকৈ জাতিগত জৰীপ চলাইছে যদিও এই সমীক্ষাৰ স্বচ্ছতাক লৈ প্ৰশ্ন উত্থাপন হৈছে। লক্ষ্যণীয়ভাৱে, ২০২৭ চনৰ লোকপিয়ল সম্পূৰ্ণ হোৱাৰ পিছত নতুন জনসংখ্যাৰ তথ্যৰ ভিত্তিত লোকসভা আৰু বিধানসভা সমষ্টিৰ সীমা নিৰ্ধাৰণ হ'ব পাৰে। এই প্ৰক্ৰিয়াই প্ৰায় একে সংখ্যক লোকক প্ৰতিজন সাংসদ বা বিধায়কে প্ৰতিনিধিত্ব কৰাটো নিশ্চিত কৰিব বুলিও সম্ভাৱনা ব্যক্ত কৰিছে বিশেষজ্ঞসকলে। কেন্দ্ৰৰ এই সিদ্ধান্তক লৈ দেশজুৰি সৃষ্টি হৈছে প্ৰতিক্ৰিয়া।

# প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদৰ বিয়োগ, চেঙাত শোক

**ই-সংবাদ, ৪ জুনঃ** অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদ আৰু নাই। গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত বুধবাৰে নিশা প্ৰায় ৯:০৪ বজাত চেঙা সমষ্টিৰ চাৰিবাৰৰ বিধায়কগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৬ বছৰ। অৱস্থা বেয়া হোৱাত তেওঁক বুধবাৰে দুপৰীয়া ১২ বজাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। প্ৰবীণ ৰাজনীতিবিদ শুকুৰ আলি আহমেদে ১৯৯৬ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী হৈ চেঙাৰ পৰা প্ৰথমবাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। পৰৱৰ্তী সময়ত তেওঁ ২০০১, ২০১১ আৰু ২০১৬ চনত একেটা সমষ্টিৰ পৰা পুনৰ্বাৰ বিধায়ক হিচাপে নিৰ্বাচিত হয়। তৰুণ গগৈ চৰকাৰৰ সময়ত তেওঁ ৰাজ্যিক মন্ত্ৰীৰ দায়িত্বও পালন কৰিছিল। দীৰ্ঘদিন ধৰি ৰোগৰ সৈতে যুঁজি অহা শুকুৰ আলি আহমেদৰ মৃত্যুত এক গৌৰৱোজ্জ্বল ৰাজনৈতিক জীৱনৰ সামৰণি পৰে। তেওঁৰ মৃত্যুত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, প্ৰদেশ কংগ্ৰেছৰ নৱ-নিযুক্ত সভাপতি গৌৰৱ গগৈয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিগ্ৰস্ত চিডিপিঅ' সূৰ্যৰ বিৰুদ্ধে চাৰ্জশ্বিট

আজি প্ৰৱৰ্তন সঞ্চালকালয় তথা ইডিয়ে অভিযান চলায়। গুৱাহাটীৰ মুঠ ৪ টা স্থানত ইডিয়ে অভিযান চলোৱা বুলি জানিব পৰা যায়। বৰ্ষাপাৰা, খ্ৰীষ্টানবস্তি, ছয়মাইলকে ধৰি মুঠ চাৰিটা স্থানত অভিযান চলায়। ঠিকাদাৰ সাহাৰ ব্যৱসায় প্ৰতিষ্ঠান আৰু ঘৰত চলোৱাৰ অভিযানত বহু নথি-পত্ৰ উদ্ধাৰ হোৱা বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে। এইজন বহু দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ সাহাই অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ভয়ংকৰ দুৰ্নীতি সংঘটিত কৰিছিল। অসমৰ অনুসূচিত জাতিৰ দৰিদ্ৰ হিতাধিকাৰীক সামগ্ৰী প্ৰদানৰ নামত প্ৰায় ১৪০ কোটি টকাৰ দুৰ্নীতি সংঘটিত কৰিছিল। জানিব পৰা মতে, দুদিন পূৰ্বে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ আৰু সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ এটা সঁজাতি দলে নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষ, সামাজিক ন্যায় আৰু সৱলীকৰণৰ কেন্দ্ৰীয় মন্ত্ৰীৰ কাৰ্যালয়ক পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰিছিল। স্মাৰকপত্ৰ প্ৰদানৰ লগতে নতুন দিল্লীৰ অসম মিডিয়া চেন্টাৰত অখন সংবাদমেল সম্বোধন কৰি অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণৰ বিভাগৰ অধীনৰ অনুসূচিত জাতি কল্যাণ সঞ্চালকালত অনুসূচিত জাতিৰ নামত ভয়ংকৰ দুৰ্নীতি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস, সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাসে সংবাদমেলত কয় যে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালিকা কুলশ্ৰী নাথৰ দুই সহযোগী ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰই ঠিকাদাৰ ঠিকাদাৰ নুপুৰ সাহাৰ সৈতে লগলাগি ১৪০ কোটি টকাৰ দুৰ্নীতি সংঘটিত কৰিছিল। কাৰ্যালয়টোত ৰূপায়ন হোৱা আঁচনিৰ ধন ঠিকাদাৰৰ সৈতে লগলাগি লুণ্ঠন কৰিছে। কেনেকৈ সংঘটিত হৈছিল এই কেলেংকাৰী তাৰ বৰ্ণনা দি নেতাদ্বয়ে কয় যে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত অনুসূচিত জাতিৰ লোকৰ মাজত টিভি আৰু পাকঘৰৰ সামগ্ৰী প্ৰদানৰ নামত ১৪০ কোটি টকাৰ আঁচনি ৰূপায়ন কৰা হৈছিল। এক আঁচনি যোগে একোটাকৈ টিভি, টিভি থৱলৈ প্লাষ্টিকৰ টেবুল-চকী, প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কন্টেইনাৰ, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ দিয়াৰ ব্যৱস্থা কৰিছিল। ঠিকা লাভ কৰিছিল ঠিকাদাৰ নুপুৰ সাহাই। নিবিদাৰ শেষত ঠিকাদাৰ নুপুৰ চাহাক ধন মুকলি কৰি দিছিল। কিছু হিতাধিকাৰীক টিভিৰ সৈতে একোখন প্লাষ্টিকৰ টেবুল আৰু সেই টিভি বহি চাবলৈ দুখনকৈ প্লাষ্টিকৰ চকী প্ৰদান কৰা হয়। প্লাষ্টিকৰ চকীসমূহ ইমানে পাতল যে মানুহে বহিবই নোৱাৰে। টেবুলখনৰো অৱস্থা একেই। পাকঘৰৰ সামগ্ৰীসমূহ যেনে প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কন্টেইনাৰ, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ আদি প্ৰদান কৰা হৈছে। টিভিসমূহো ব্ৰেণ্ডেড নহয় আৰু অত্যন্ত কম দামৰ। বজাৰত ৬০০ টকাত লাভ কৰা প্ৰেচাৰ কুকাৰ ২৭০০ টকা কিনা দেখুৱাইছে। ২৩ হাজাৰ টকীয়া টিভি ৫৯ হাজাৰ টকাত কিনা দেখুৱাছে। এই সামগ্ৰীসমূহ নিম্ন মানদণ্ডৰ আৰু ব্যৱহাৰৰ অনুপযোগী। এই দুৰ্নীতিত জড়িত সঞ্চালিকা কুলশ্ৰী নাথ, সুবৰ্ণময় দেৱ, ঠিকাদাৰ নুপুৰ সাহা আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰ। স্মাৰকপত্ৰ যোগে সঞ্জীৱ দাস আৰু জয়ন্ত দাসে দাবী উত্থাপন কৰি কয় যে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ সম্পত্তিৰ তদন্ত কৰিবলৈ ইডিক নিৰ্দেশ দিয়ক। কিয়নো সুবৰ্ণময় দেৱৰ গুৱাহাটীৰ ৰুক্মিনীগাঁৱত তিনি কঠা মাটিত আছে তিনিমহলীয়া অট্টালিকা। ডাউন-টাউনত থ্ৰি-বিএইচকে ফ্লেট আছে। কন্যা আৰু পৰিয়ালৰ নামত বহু সম্পত্তি ক্ৰয় কৰিছে। সুবৰ্ণময় দেৱ আজি প্ৰায় ৫০ কোটি টকাৰ সম্পত্তিৰ গৰাকী। সুবৰ্ণময় দেৱে কাৰ্যালয়ত প্ৰায় ২৫ বছৰ ধৰি চাকৰি কৰি আছে। ২৫ বছৰেই কাৰ্যালয়টোত লুণ্ঠন চলাইছে। প্ৰায় ৫০ হাজাৰ টকা দৰমহা পোৱা এজন লোকে কেইটামান বছৰৰ ভিতৰত ইমান সম্পত্তি গঢ়িলে কেনেকৈ? আয়তকৈ তেওঁৰ সম্পত্তি অত্যাধিক। সেয়েহে আয় বহিৰ্ভূত সম্পত্তিৰ তদন্ত কৰিবলৈ ভাৰত চৰকাৰক ইডিক নিৰ্দেশ দিবলৈ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ক দাবী জনায়। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা শীঘ্ৰে লিটন মিত্ৰক তেওঁৰ নিজৰ বিভাগ অৰ্থনৈতিক পৰিসংখ্যা বিভাগলৈ বদলি কৰাৰ দাবী উত্থাপন কৰি সঞ্জীৱ দাস আৰু জয়ন্ত দাসে কয় যে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ষ্টেনোগ্ৰাফাৰ পদৰ প্ৰয়োজনীয়তা নাই। সেয়েহে ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱক শীঘ্ৰে ডেপুটেচনত অন্য কাৰ্যালয়লৈ বদলি কৰক। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত কৰ্মৰত লিটন মিত্ৰ অৰ্থনৈতিক পৰিসংখ্যা বিভাগৰ কৰ্মচাৰী। ৮ বছৰে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত প্ৰকল্প বিষয়াৰ চকীত বহি থকা লিটন মিত্ৰক বদলি কৰা হৈছিল যদিও ন্যায়ালয়ৰ কাষ চাপি পিতৃৰ ৰোগৰ বাবে বদলি স্থগিত কৰিছিল। প্ৰকৃততে পিতৃৰ ৰোগ এক অজুহাতহে আছিল। অনুৰূপ ঠিকাদাৰ সাহাই এই টকা লুণ্ঠন কৰি সম্পত্তি গঢ়িছিল। ইপিনে আজি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে কোকৰাঝাৰ জিলাৰ দেৱীতোলাৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য বৰুৱা আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে ৰুজু দুৰ্নীতিৰ গোচৰত আজি আদালতত চাৰ্জশ্বিট দাখিল কৰিছে। আয়বৰ্হিভূত সম্পত্তিৰ বিৰুদ্ধে ৰুজু গোচৰক লৈ চাৰ্জশ্বিট দাখিল কৰা হয়। গ্ৰেপ্তাৰৰ ৫৮ দিনৰ ভিতৰত ৩,১৪২ পৃষ্ঠাৰ চাৰ্জশ্বিট আদালতত দাখিল কৰিছে। সূৰ্য বৰুৱা তেওঁৰ পত্নীৰ আয়ৰ তুলনাত বহুগুণ ধন-সম্পত্তিৰ থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। তদন্তত ২০১৪ চনৰ পৰা দুৰ্নীতিত লিপ্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে। সূৰ্য বৰুৱাৰ অবৈধ সম্পত্তি আয়তকৈ ১৯৮ শতাংশ অধিক। গ্ৰেপ্তাৰৰ সময়ত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে বাহনৰ পৰা বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰ কৰিছিল। ৫০ লাখ টকাৰ নগদ জব্দ কৰিছিল। চাৰ্জশ্বিটত উল্লেখিত মতে, বৰুৱাই আয়ৰ তুলনাত ৪৬৫ শতাংশ অধিক, প্ৰায় ৪০ কোটি টকাৰ সম্পত্তি সংগ্ৰহ কৰিছিল। বৰুৱাৰ পত্নী মধুস্মিতা সন্দিকৈ বৰুৱাক অভিযুক্ত হিচাপে নাম প্ৰকাশ কৰা হৈছে। পত্নীক লৈও তদন্ত অব্যাহত ৰাখিছে। দুৰ্নীতি সম্ৰাট নামেৰে কলংকিত শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য্য বৰুৱাৰ তৃতীয়বাৰৰ বাবে ১০ এপ্ৰিলত গ্ৰেপ্তাৰ কৰা হৈছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শিলঘৰীয়া মাছ উপহাৰ দিয়ে সূৰ্য্য বৰুৱাৰ প্ৰথমবাৰ ২০ জানুৱাৰীত, দ্বিতীয়বাৰ ০৮ এপ্ৰিলত আৰু ১০ মেত তৃতীয়বাৰৰ বাবে গ্ৰেপ্তাৰ কৰি এবিচি এলেকাৰ চাণক্য পথস্থিত ফ্লেটত অভিযান চলিছিল। অভিযানত বিষয়াগৰাকীৰ পৰা প্ৰায় ৫৪ লাখ টকা উদ্ধাৰ হোৱাৰ লগতে কেইবা ঠাইত মাটি, নিৰ্মাণকাৰী সংস্থা, তেল ডিপো, বাছ, প্ৰায় ১২ খন ব্যক্তিগত বাহন, অস্ত্ৰ, বিলাসীপাৰাত ঘৰ, ধুবুৰীত হোটেল, কোকৰাঝাৰত মাটি থকাৰ তথ্য লাভ কৰিছিল। এই পৰ্যন্ত বাণিজিক বাহনসহ মুঠ ১২ খন বাহনৰ তথ্য লাভ কৰিছে। সূৰ্য্য বৰুৱাই যিটো ফ্লেটত বসবাস কৰে সেইটো অবৈধভাৱে দখল কৰাৰ গুৰুতৰ অভিযোগ আছে। ৬০ৰ পৰা ৭০ হাজাৰ টকা দৰমহা পোৱা চাকৰিয়ালজনে গুৱাহাটীৰ মহানগৰীত কোটি কোটি টকাৰ সম্পত্তি গঢ়ি তুলিছে। পত্নীৰ নামত আছে মৰিগাঁৱত তেল ডিপো। কেইবা কোটিটকীয়া নিৰ্মাণকাৰী সংস্থাৰ স্বত্বাধিকাৰী পত্নী। গুৱাহাটীৰ কেইবাঠাইত ঘৰ-মাটি আছে। ধুবুৰীৰ পিছতে কোকৰাঝাৰ সীমান্তৱৰ্তী দেৱীতোলাত প্ৰকল্প হিচাপে যোগদান কৰি দুৰ্নীতিৰ বজাৰ বহুৱাইছিল। সমাজ কল্যাণ বিভাগে ৰূপায়ন কৰা আঁচনিৰ ধন কোৰোণাৰে চপাইছিল। শিশুৰ মুখৰ পৰা খাদ্য কাঢ়ি খাইছিল। চৰকাৰে যোগান ধৰিবলৈ আৱণ্টন দিয়া টকা উদৰস্থ কৰিছিল। দাইল, চেনী, বুট, মাহ, চাবোন, টাৱেলৰ নামত সংঘটিত কৰিছিল কোটি-কোটি টকাৰ কেলেংকাৰী। শিশুৰ বাবে আৱণ্টন দিয়া ধন শিশুৰ ভুৱা তালিকা প্ৰস্তুত কৰি বেংক একাউণ্টৰ পৰা উলিয়াইছিল। ধুবুৰী জিলাত সমাজ কল্যাণ বিষয়া হিচাপে অতিৰিক্ত দায়িত্ব আছিল এইজন সূৰ্য্য। ফলত দুয়োখন জিলাত অংগনবাড়ী কেন্দ্ৰৰ বাবে অহা ধন লুটিছিল সূৰ্য্যই। লক্ষ লক্ষ টকা লুটি সোঁৰে বাৰে কেৱল সম্পত্তি গঢ়া সূৰ্য অৱশেষত জালত পৰিবলৈ বাধ্য হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## ক'ভিডৰ বাবে পিছুৱাই দিয়া হৈছিল ২০২১ত হ'বলগীয়া পিয়ল

# ২০২৭ৰ ১ মাৰ্চৰপৰা জাতিগত গণনাসহ দেশজুৰি হ'ব লোকপিয়ল

**নতুন দিল্লী, ৪ জুন:** ২০২৭ চনৰ ১ মাৰ্চৰ পৰা দেশজুৰি আৰম্ভ হব লোকপিয়ল। আজি চৰকাৰী বিষয়াসকলে নিশ্চিত কৰিছে যে কেন্দ্ৰই প্ৰথমবাৰৰ বাবে জাতি গণনা অন্তৰ্ভুক্ত কৰি পৰৱৰ্তী দেশজোৰা লোকপিয়ল আৰম্ভ কৰিব। অৱশ্যে লাডাখ, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডকে ধৰি কিছুমান নিৰ্বাচিত অঞ্চলত ২০২৬ চনৰ অক্টোবৰৰ পৰাই লোকপিয়ল আৰম্ভ হ'ব। দুটা পৰ্যায়ত এই পিয়ল অনুষ্ঠিত হ'ব বুলি বিষয়াসকলে লগতে কয়। কেন্দ্ৰীয় চৰকাৰে জাতিগত গণনা পৰৱৰ্তী লোকপিয়লৰ অংশ হ'ব বুলি ঘোষণা কৰাৰ এমাহৰ পাছতে এই কথা প্ৰকাশ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত এক কেবিনেট কমিটীত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিহাৰ, তেলেংগানা আৰু অন্ধ্ৰ প্ৰদেশে বিগত তিনি বছৰত জাতিগত জৰীপ চলোৱাৰ বিপৰীতে কৰ্ণাটকে ২০১৫ চনত কৰা এক সমীক্ষাৰ তথ্য প্ৰকাশৰ কথা চিন্তা কৰিছে। উল্লেখ্য যে, ২০২১ চনত অনুষ্ঠিত হ'বলগীয়া পূৰ্বৰ দশকৰ ৰাষ্ট্ৰীয় লোকপিয়ল ক'ভিড-১৯ মহামাৰীৰ বাবে অনিৰ্দিষ্টকাললৈ পিছুৱাই দিয়া হৈছিল। বিষয়াসকলৰ মতে, ২০২৭ চনৰ লোকপিয়লটো হ'ব প্ৰথম ডিজিটেল লোকপিয়ল। ইয়াৰ পূৰ্বে কেন্দ্ৰই ঘোষণা কৰিছিল যে ইতিমধ্যে তথ্য সংগ্ৰহৰ বাবে এটা ম'বাইল এপ আৰু লোকপিয়ল সম্পৰ্কীয় বিভিন্ন কাম-কাজৰ পৰিচালনা আৰু নিৰীক্ষণৰ বাবে এটা লোকপিয়ল প'ৰ্টেল প্ৰস্তুত কৰা হৈছে। পিয়লৰ বাবে নিৰ্ধাৰণ কৰা হৈছে ৫৭৪ কোটি টকাৰ পুঁজি। ১৮৮১ চনত ভাৰতত প্ৰথম সমকালীন লোকপিয়ল অনুষ্ঠিত হৈছিল। তেতিয়াৰপৰা প্ৰতি ১০ বছৰৰ মূৰে মূৰে এবাৰকৈ নিৰৱচ্ছিন্নভাৱে লোকপিয়ল কৰা হয়। এই লোকপিয়ল হৈছে সমগ্ৰ ভাৰতৰ জনসংখ্যাৰ জনগাঁথনিগত, আৰ্থ-সামাজিক আৰু অন্যান্য পৰিমাপসমূহৰ তথ্যৰ আটাইতকৈ ডাঙৰ উৎস। এই তথ্যসমূহ পৰিকল্পনা আৰু নীতি নিৰ্ধাৰণৰ বাবে ব্যৱহাৰ কৰা হয় আৰু চৰকাৰী নীতিৰ প্ৰভাৱৰ বিষয়ে মূল্যৱান তথ্য প্ৰদান কৰে। এই তথ্যৰ সহায়ত সমষ্টিসমূহৰ সীমা নিৰ্ধাৰণ আৰু সংসদত ৰাজ্যভিত্তিক প্ৰতিনিধিত্ব আবণ্টন কৰা হয়।



# দক্ষিণ কোৰিয়াৰ নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল লি জে-ম্যুং

**ছিউল, ৪ মে':** দক্ষিণ কোৰিয়াই উদাৰবাদী ডেম'ক্ৰেটিক পাৰ্টিৰ লি জে-ম্যুঙক দেশখনৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত কৰিছে, প্ৰাক্তন ৰাষ্ট্ৰপতি ইউন চুক ইয়েলৰ অভিযোগনামাৰ ফলত আৰম্ভ হোৱা আকস্মিক নিৰ্বাচনৰ পাছতে ম্যুঙক ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচন কৰা হয়। প্ৰায় ৪৯.৪ শতাংশ ভোট লাভ কৰি লীৰ নিৰ্বাচনে ৰাজনৈতিক অস্থিৰতাৰ উত্তাল সময়ৰ পিছত ছিউলত প্ৰগতিশীল ৰাজনীতিৰ পুনৰাবৃত্তিৰ সূচনা কৰিছে। লীৰ প্ৰতিশ্ৰুতিসমূহে গণতান্ত্ৰিক নীতিসমূহ পুনৰুদ্ধাৰ, যুৱ নিয়োগ বৃদ্ধি আৰু ভাৰতকে ধৰি দক্ষিণ কোৰিয়াৰ মিত্ৰ দেশসমূহৰ সৈতে পুনৰ জড়িত হোৱাৰ উদ্দেশ্যৰ কথা প্ৰকাশ কৰে, য'ত শেহতীয়া বছৰবোৰত দ্বিপাক্ষিক সম্পৰ্ক গভীৰ হোৱা দেখা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লিৰ বিজয়ৰ বাবে অভিনন্দন জনাই ভাৰত-কোৰিয়া বিশেষ কৌশলগত অংশীদাৰিত্ব আৰু অধিক গভীৰ কৰাৰ বাবে তেওঁৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ আগ্ৰহ কৰে।



আৰচিবিৰ বিজয় উদযাপনৰ বাবে এইদৰেই অনুৰাগীয়ে ভিৰ কৰিছিল চিন্নাস্বামী ষ্টেডিয়ামৰ বাহিৰত , ফটো, বুধবাৰৰ

# ভুৱা তথ্যত ভোল নাযাব
# বন্ধ নহয় ৫০০ টকীয়া নোট

**নতুন দিল্লী, ৪ জুন:** ভাৰতীয় প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰোৱে ভাৰতীয় ৰিজাৰ্ভ বেংকে ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত ৫০০ টকীয়া নোট বন্ধ কৰিবলৈ ওলাইছে বুলি কৰা দাবী খণ্ডন কৰিছে।পিআইবিয়ে কয় যে কেন্দ্ৰীয় বেংকে এনে কোনো ঘোষণা কৰা নাই। প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰোৰ ছ'চিয়েল মিডিয়া হেণ্ডেলে এক্সত কৰা পোষ্ট অনুসৰি ইউটিউব চেনেল কেপিটেল টিভিয়ে এটা ভিডিঅ'ত দাবী কৰিছিল যে ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত ৫০০ টকীয়া নোট প্ৰচলন বন্ধ হৈ যাব। ভিডিঅ'টোত দাবী কৰা হৈছে যে চৰকাৰে ৫০০ টকীয়া নোট ছপা কৰা বন্ধ কৰি দিছে। অৱশ্যে এই সকলোবোৰ দাবী খণ্ডন কৰি পিআইবিয়ে কয় যে ৫০০ টকীয়া নোট বন্ধ কৰা হোৱা নাই আৰু আইনীভাৱে বৈধ হৈয়ে আছে। ২০২৩ চনৰ ১৯ মে'ত ৰিজাৰ্ভ বেংকে ২০০০ টকীয়া নোট উলিওৱাৰ নিৰ্দেশ জাৰি কৰিছিল যদিও এতিয়াও এই নোটসমূহ আইনী নিবিদা হৈ আছে। যদি কোনো নাগৰিকৰ হাতত এতিয়াও ২০০০ টকীয়া নোট আছে তেন্তে ৰিজাৰ্ভ বেংকৰ নিৰ্দিষ্ট কাৰ্যালয়ত বিনিময় কৰিব পাৰিব।

# কেঞ্চাৰক জয় কৰি বিয়াত বহিল হিনা খান



**মুম্বাই, ৪ জুন:** কৰ্কট ৰোগৰ সৈতে যুঁজ দি থকাৰ সময়তে দীৰ্ঘদিনীয়া প্ৰেমিক ৰকী জয়ছোৱালৰ সৈতে এক অন্তৰংগ অনুষ্ঠানত বিবাহপাশত আবদ্ধ হয় টেলিভিশ্যন ষ্টাৰ হিনা খান। আজি ইনষ্টাগ্ৰামত ৰোমান্টিক ফটোৰে দম্পতীহালে বিবাহৰ কথা ঘোষণা কৰে। ২০২৪ চনৰ জুন মাহত তৃতীয় স্তৰৰ স্তন কেন্সাৰত আক্ৰান্ত হৈছিল 'য়েহ ৰিস্তা ক্যা কেহলাতা হে' খ্যাত তাৰকাগৰাকী। হিনাই কেন্সাৰ যুদ্ধৰ সময়ত ৰকীৰ পৰা শক্তিশালী সমৰ্থন লাভ কৰাৰ বিভিন্ন ফটো আৰু ভিডিঅ' ছচিয়েল মিডিয়াত শ্বেয়াৰ কৰি আহিছে। সম্প্ৰতি তেওঁ সুস্থ হৈ উঠিছে যদিও সম্পূৰ্ণৰূপে বিপদৰপৰা মুক্ত হোৱা নাই।

# পানীত দ্ৰৱনীয় প্লাষ্টিক আৱিষ্কাৰ

**ৰাকো, ৪ জুনঃ** জাপানৰ গৱেষকসকলে এনে এটা প্লাষ্টিক প্ৰস্তুত কৰিছে যিটো কেইঘণ্টামানৰ ভিতৰতে সাগৰৰ পানীত দ্ৰবীভূত হয়। এই আৱিষ্কাৰে সাগৰৰ প্ৰদূষণ আৰু বন্যপ্ৰাণীৰ ক্ষতি কৰা আধুনিক যুগৰ মহামাৰীৰ সম্ভাব্য সমাধান আগবঢ়াইছে। বিজ্ঞানীসকলে দীৰ্ঘদিন ধৰি পৰীক্ষা-নিৰীক্ষা কৰি আহিছে যদিও গৱেষকসকলে কয় যে তেওঁলোকে প্ৰস্তুত কৰা এই নতুন পদাৰ্থ বহুত বেছি সোনকালে ভাঙি যায় আৰু ইয়াৰ কোনো অৱশিষ্ট নাথাকে।

# ৰীল বনাই থাকোঁতেই সলিল সমাধি ছয়গৰাকী কিশোৰীৰ

**আগ্ৰা, ৪ জুন:** আগ্ৰাৰ যমুনা নদীত গা ধুই থকা অৱস্থাত ছয়গৰাকী ছয়গৰাকী কম বয়সীয়া ছোৱালীৰ সলিল সমাধি ঘটে। কালি দিনৰ ভাগত গৰমৰপৰা হাত সাৰিবলৈ নদীত গা ধুবলৈ গৈছিল কিশোৰীকেইগৰাকী। চিকন্দ্ৰা থানা এলেকাত সংঘটিত হোৱা এই ঘটনাৰ ফলত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ বিয়পি পৰিছে।



ছোৱালীকেইগৰাকীয়ে ওচৰৰ পথাৰত কাম কৰি নদীত গা ধুবলৈ গৈছিল। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, প্ৰথমে তেওঁলোকক নদীৰ পাৰৰ ওচৰত ভিডিঅ' বজাই আৰু ৰেকৰ্ডিং কৰি থকা দেখা গৈছিল আৰু তাৰ পিছত পানীৰ গভীৰতালৈ সোমাই গৈছিল, য'ত তেওঁলোকক সোঁতে উটুৱাই লৈ যায়। আটাইকেইগৰাকী একেটা বৃহত্তৰ পৰিয়ালৰ আৰু সদস্য আছিল।

# দাপোনীবৰি গাঁৱক আফ্ৰিকান ছোৱাইন ফিভাৰৰ অভিকেন্দ্ৰ হিচাপে ঘোষণা মৰিগাঁও জিলা প্ৰশাসনৰ

**ই-সংবাদ, জাগীৰোড, মৰিগাঁও, লাহৰীঘাট, ৪ জুনঃ** জাগীৰোড সমজিলাৰ মায়ং উন্নয়ন খণ্ডৰ অন্তৰ্গত ধৰমতুলৰ দাপোনীবৰি গাঁৱক আফ্ৰিকান ছোৱাইন ফিভাৰৰ অভিকেন্দ্ৰ হিচাপে ঘোষণা কৰা হৈছে। মৰিগাঁও জিলা প্ৰশাসনে আজি এই সম্পৰ্কীয় নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি এই গাঁৱৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ গাঁওসমূহক সংক্ৰমিত অঞ্চল আৰু ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ গাঁওসমূহক নিৰীক্ষণ অঞ্চল হিচাপে গণ্য কৰা হ'ব। সংক্ৰমিত অঞ্চলৰ বাবে নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি জীয়া গাহৰি বা গাহৰিৰ খাদ্য বা গাহৰিৰ মাংস আৰু গাহৰিৰ মাংসৰ পৰা প্ৰস্তুত কৰা খাদ্য সামগ্ৰী এই অঞ্চলটোলৈ আনিব অথবা ইয়াৰ পৰা উলিয়াই নিব নোৱাৰিব। সামগ্ৰী বা জীৱ-জন্তু অনা বাহনে কোনো জীৱ-জন্তু, সংক্ৰমিত অঞ্চলৰ পৰা বাহিৰলৈ বা সংক্ৰমিত অঞ্চললৈ কঢ়িয়াই নিব নোৱাৰিব। সংক্ৰমিত অঞ্চলৰ মাজেৰে পথ বা ৰে'লপথেৰে জীৱ-জন্তু (গাহৰি) কঢ়িয়াই নিবলৈ তেতিয়াহে অনুমতি দিয়া হ'ব যেতিয়া সংশ্লিষ্ট পশু চিকিৎসা কৰ্তৃপক্ষই চেনিটাইজেচনৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰিব। কিন্তু সংক্ৰমিত অঞ্চলৰ ভিতৰৰ কোনো ঠাইতে সেই জীৱ-জন্তুক নমাব নোৱাৰিব। আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগত আক্ৰান্ত বা আক্ৰান্ত হোৱাৰ সন্দেহ থকা গাহৰি জীৱিত বা মৃত অৱস্থাত কোনো ব্যক্তিয়ে সংক্ৰমিত অঞ্চলৰ পৰা উলিয়াই নিব নোৱাৰিব। আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগত আক্ৰান্ত বা সংক্ৰমিত হোৱাৰ সন্দেহ থকা কোনো জন্তুৰ সংস্পৰ্শলৈ অহা কোনো ব্যক্তিয়ে গাহৰিৰ খাদ্য বা গঁড়ালৰ সামগ্ৰী বা অন্যান্য সামগ্ৰী যেনে মৃতদেহ, ছাল বা এনে প্ৰাণীৰ অন্যান্য অংশ বা সামগ্ৰী কঢ়িয়াই নিব নোৱাৰিব। কোনো ব্যক্তি, সংগঠন বা প্ৰতিষ্ঠানে কোনো পশু বজাৰ, পশু মেলা, পশু প্ৰদৰ্শনী অনুষ্ঠিত কৰিব নোৱাৰিব আৰু কোনো কাৰ্যকলাপ চলাব নোৱাৰিব য'ত সংক্ৰমিত অঞ্চলৰ ভিতৰত গাহৰি জমা হোৱাৰ সম্ভাৱনা থাকে। যদিহে সংশ্লিষ্ট পশু চিকিৎসা বিষয়াই জনস্বাৰ্থৰ বাবে শিথিলতা প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি ভাবে, তেনেহ'লে এই সংক্ৰান্তত তেওঁ লাভ কৰা আবেদনৰ ভিত্তিত গাহৰিৰ বাহিৰে অন্য জীৱ-জন্তুৰ ক্ষেত্ৰত এনে নিষেধাজ্ঞা শিথিল কৰিব পাৰিব। কোনো ব্যক্তিয়ে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগত আক্ৰান্ত বা আক্ৰান্ত হোৱাৰ সন্দেহ থকা গাহৰি বজাৰ, মেলা, প্ৰদৰ্শনী বা অন্য কোনো ৰাজহুৱা স্থানলৈ আনিব বা আনিবলৈ চেষ্টা কৰিব নোৱাৰিব। মুখ্য পশু চিকিৎসা বিষয়া অথবা সংশ্লিষ্ট বিষয়াই যদি আফ্ৰিকান ছোৱাইন ফিভাৰত সংক্ৰমিত এটা জন্তু (গাহৰি) অঞ্চলটোৰ অন্য গাহৰিলৈ সম্ভাব্য সংক্ৰমণ ৰোধ কৰাৰ স্বাৰ্থত মাৰি পেলোৱাটো উচিত বুলি বিবেচনা কৰে তেনেহ'লে লিখিতভাৱে এই সংক্ৰান্তীয় নিৰ্দেশনা জাৰি কৰিব আৰু গাহৰিৰ মৃতদেহ জনস্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখি উচিতভাৱে নষ্ট কৰিব লাগিব। সকলো পৌৰসভা, পঞ্চায়ত বা পঞ্চায়তৰ বিষয়া-কৰ্মচাৰী আৰু বিভাগৰ সকলো বিষয়াই পশু চিকিৎসা বিষয়া আৰু পশু চিকিৎসকক তেওঁলোকৰ কৰ্তব্য পালনত বা "জীৱ-জন্তুৰ সংক্ৰামক ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন ২০০৯" ৰ অধীনত তেওঁলোকৰ ক্ষমতা প্ৰয়োগ কৰাত সহায় কৰিব। যিকোনো নদী, হ্ৰদ, খাল বা আন কোনো জলভাগত, মৃত্যুৰ সময়ত সংক্ৰমিত বুলি জনা কোনো প্ৰাণীৰ মৃতদেহ বা মৃতদেহৰ কোনো অংশ উটাই দিলে বা ৰাখিলে, তেওঁক দোষী সাব্যস্ত কৰা হ'ব আৰু কাৰাদণ্ড বা জৰিমনা বা দুয়োটা বিহা হ'ব পাৰে। নিৰীক্ষণ অঞ্চলত আৰোপ কৰা নিষেধাজ্ঞাসমূহ হ'ল সংক্ৰমণৰ অভিকেন্দ্ৰৰ ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ সকলো গাঁৱকে নিৰীক্ষণ অঞ্চল হিচাপে ধৰা হ'ব। জীৱ-জন্তু মাৰি পেলোৱাৰ নিৰ্দেশৰ বাহিৰে সংক্ৰমিত অঞ্চলৰ অধীনত উল্লেখ কৰা সকলো নিষেধাজ্ঞা নিৰীক্ষণ অঞ্চলত প্ৰযোজ্য হ'ব। নিৰীক্ষণ অঞ্চলত থকা সকলো গাহৰিৰ ওপৰত নীৰিক্ষণ অব্যাহত থাকিব। বন বিভাগৰ লগত আলোচনা কৰি বনাঞ্চলৰ কাষৰীয়া অঞ্চলৰ ঘৰচীয়া গাহৰিৰ ওপৰতো নিৰীক্ষণ ৰাখিব লাগিব। এই অধিসূচনা তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ জাৰি কৰা হৈছে।

# বালাজানত দালালৰে মিলি আৰক্ষী বিষয়াৰ উদ্ভণ্ডালি নিৰীহ লোকক আটক কৰাক কেন্দ্ৰ কৰি আৰক্ষী চকী ঘেৰাও

**ই-সংবাদ, গোলকগঞ্জ, ৪ জুনঃ** বিভিন্ন অপৰাধী, মাফিয়া আদিৰ বিৰুদ্ধে নেগুৰ পেলোৱা বালাজান আৰক্ষী নিৰীহ সাধাৰণ ৰাইজৰ ওপৰত বৰমতা হৈ পৰে। যোৱানিশা বালাজান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই দালালৰে মিলি নিজৰ এলেকাৰ বাহিৰৰ সাধাৰণ নিৰীহ ৰাইজক হাৰাশাস্তি কৰাৰ প্ৰতিবাদত নিশাই ৰাইজ আৰক্ষী চকী ঘেৰাও কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, ৰিদিপ ৰায়ে বালাজান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে চোৰাং গৰু, নিষিদ্ধ গো-মাংস, ড্ৰাগছ, অবৈধ কাঠ সৰবৰাহকাৰীৰ বিৰুদ্ধে তীব্ৰ অভিযান আৰম্ভ কৰে। অপৰাধীৰ বিৰুদ্ধে তেওঁৰ এনে তৎপৰতাত অঞ্চলটোৰ ৰাইজে শলাগিবলৈ আৰম্ভ কৰে। কিন্তু কিছুদিন পিছতে তেওঁ সম্পূৰ্ণ বিপৰীত ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপন হয়। অভিযোগ মতে, বালাজান আৰক্ষী চকী এলেকাত বৃদ্ধি পাইছে ড্ৰাগছ প্ৰচলন, অবৈধ কাঠৰ চোৰাং সৰবৰাহ, মটেৰঝাৰ-সাহেবগঞ্জ



পথটো হৈ পৰিছে চোৰাং গৰু, নিষিদ্ধ গো-মাংস সৰবৰাহৰ মূল পথ। যাৰবাবে অঞ্চলটোত হাই কাজিয়া অসামাজিক কাৰ্য ব্যাপক হাৰত বৃদ্ধি পাইছে। জানিব পৰা মতে, গোলকগঞ্জ থানাৰ অন্তৰ্গত বতুৱাতলিৰ মজিবৰ ৰহমানৰ বাহনৰ লগত চাৰিদিন পূৰ্বে ছাগলীয়াত এখন বাহনৰ সামান্য দুৰ্ঘটনা সংঘটিত হৈছিল। ঘটনাটো উক্ত স্থানতে দুয়ো পক্ষৰ আপোচ মীমাংসা হয়। এই ঘটনা বালাজান থানাৰ দালাল আজিজুৰ ৰহমান ওৰফে আজুৰে জানিব পাৰি কালি নিশা অনধিকাৰ ভাৱে মজিবৰৰ ঘৰত উপস্থিত দুৰ্ঘটনা মীমাংসাৰ বাবে এক লাখ টকা দাবী কৰে। ধন দিবলৈ অমান্তি হোৱাত দুয়োপক্ষৰ কথা কটাকটি হয়। টকা নাপাই আজুৱে ভাৰপ্ৰাপ্ত বিষয়া ৰিদিপ ৰায়ক অৱগত কৰে। ৰিদিপ ৰায়ো ঘৰখনত উপস্থিত হৈ ভয়-ভাবুকি প্ৰদান কৰে। অভিযোগ মতে দাবী কৰা এক লাখ টকা দিব নোৱাৰাৰ বাবেই আৰক্ষী বিষয়াজনে আন গোচৰত ফচাই দিয়াৰ ভাবুকিৰে আটক কৰি চকীলৈ নিয়ে। খবৰ পাই নিশাই গাঁওখনৰ শতাধিক পুৰুষ-মহিলাই নিৰীহ লোকজনক মুকলিৰ দাবীত বালাজান আৰক্ষী চকী ঘেৰাও কৰে। অসম আৰক্ষী হায় হায়, বালাজান আৰক্ষী মুৰ্দাবাদ, ৰিদিপ ৰায়ৰ গুণ্ডাগিৰি নচলিব, থানাত দালালি নচলিব, নিৰীহৰ ওপৰত অত্যাচাৰ বন্ধ কৰক আদি ধ্বনিৰে থানা চৌহদ উত্তাল কৰি তোলে। প্ৰতিবাদত সেও মানি ৰাইজৰ ওচৰত ভুল স্বীকাৰ কৰি আৰক্ষী বিষয়া ৰিদিপ ৰায়ে নিৰীহ মজিবৰক মুকলি কৰি দিয়ে। ইপিনে এই সন্দৰ্ভত নিশাতে মজিবৰ ৰহমানে দালাল আজিজুৰ ৰহমান ওৰফে আজু আৰু আৰক্ষী বিষয়া ৰিদিপ ৰায়ৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## সৰিয়হৰ ডুলিতে ভূতঃ কাম নকৰাকৈয়ে ৯০ শতাংশ ধন মোকলাই দিয়াৰ অভিযোগ

# ঢেকীয়াজুলিত জলসিঞ্চন মন্ত্ৰী অশোক সিংঘলৰ বিভাগত বিয়াগোম কেলেংকাৰী

**ই-সংবাদ, ঢেকীয়াজুলি, ৪ জুনঃ** ঢেকীয়াজুলিৰ স্থানীয় বিধায়ক তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংহলৰ নিজ সমষ্টি ঢেকীয়াজুলিত জলসিঞ্চন বিভাগৰ এক বৃহৎ কেলেংকাৰী পোহৰলৈ আহিছে। আৰটিআই কৰ্মী দিলীপ নাথৰ তথ্য অনুসৰি, বিভাগৰ বিভিন্ন আঁচনিৰ মেৰামতিৰ কাম আৰম্ভ নোহোৱাকৈয়ে ঠিকাদাৰসকলক প্ৰায় ৯০ শতাংশ ধন মোকলাই দিয়াৰ অভিযোগ কৰে একাংশই। ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত এই আঁচনিসমূহৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰাৰ সময়সীমা নিৰ্ধাৰিত আছিল, কিন্তু আজিলৈকে কোনো ঠাইতে মেৰামতিৰ কাম আৰম্ভ হোৱা নাই। এই পৰিস্থিতিত অভিযন্তাসকলে কাৰ ছত্ৰছায়াত পৰি এই বিপুল পৰিমাণৰ ধন ঠিকাদাৰক মোকলাই দিলে, তাকে লৈ বিভিন্ন মহলে প্ৰশ্ন তুলিছে। দিলীপ নাথে আৰু উল্লেখ কৰিছে যে বৈদ্যুতিক আৰু সৌৰচালিত পাম্প হাউছ নিৰ্মাণৰ কথা আঁচনিসমূহত উল্লেখ থকাৰ পিছতো এই স্থানসমূহৰ কোনোটোত নিৰ্মাণ কাৰ্য আৰম্ভ হোৱা নাই। তথাপি ঠিকাদাৰসকলে এই কামৰ বাবে নিৰ্ধাৰিত ধন কেনেকৈ লাভ কৰিলে, তাৰ উত্তৰ বিচাৰিছে স্থানীয় জনতাই। এই ঘটনাই কৃষকসকলৰ পেটত লাঠ মাৰি জনতাৰ ধন লুণ্ঠনৰ জঘন্য নজিৰ স্থাপন কৰিছে। জলসিঞ্চন বিভাগৰ বিকল অৱস্থা বিগত কেইবছৰ ধৰি অঞ্চলটোৰ কৃষকসকলৰ বাবে এক বৃহৎ সমস্যা হৈ পৰিছে। পানীৰ অভাৱত কৃষিকাৰ্য ব্যাহত হৈছে, যাৰ ফলত কৃষকসকলৰ জীৱিকাৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। এনে পৰিস্থিতিত এই কেলেংকাৰী সন্দৰ্ভই বিভাগৰ কাৰ্যকাৰিতা আৰু স্বচ্ছতাৰ ওপৰত গুৰুতৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। স্থানীয় জনতাৰ মাজত এই ধাৰণা প্ৰবল হৈ উঠিছে যে এই অনিয়মৰ পিছত উচ্চ পৰ্যায়ৰ কোনো স্বাৰ্থ জড়িত হৈ থাকিব পাৰে। মন্ত্ৰী অশোক সিংহলৰ নিজ সমষ্টিত এনে অনিয়মে তেওঁৰ নেতৃত্বৰ ওপৰতো প্ৰশ্নৰ সৃষ্টি কৰিছে। তেওঁৰ বিভাগৰ এই কাৰ্যকলাপৰ তথা ব্যৰ্থতাই জনতাৰ মাজত অসন্তোষৰ সৃষ্টি কৰিছে। এই ঘটনাই কৃষকসকলৰ স্বাৰ্থৰ ওপৰত একপ্ৰকাৰ আঘাত হিচাপে পৰিগণিত হৈছে। স্থানীয় জনতা আৰু বিভিন্ন সংগঠনে এই কেলেংকাৰীৰ স্বচ্ছ তদন্তৰ দাবী জনাইছে। তেওঁলোকে বিচাৰে যে এই ধন মোকলোৱা সিদ্ধান্তৰ সৈতে জড়িত দোষী ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হওক। জলসিঞ্চনৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগত এনে অনিয়মে অঞ্চলটোৰ কৃষিভিত্তিক অৰ্থনীতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে। জনতাৰ টকাৰ অপব্যৱহাৰ আৰু কৃষকৰ অধিকাৰৰ পৰিপন্থী এই কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ পদক্ষেপৰ দাবী উত্থাপন হৈছে। এই ঘটনাই অসমৰ জলসিঞ্চন বিভাগৰ দায়বদ্ধতা আৰু স্বচ্ছতাৰ অভাৱৰ স্পষ্ট হৈছে, যিয়ে কৃষকসকলৰ ভৱিষ্যতৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে।

# ধোঁৱাচাঙত উঠিল গো সুৰক্ষা আইন, ধুবুৰীৰ ৰাষ্ট্ৰীয় ঘাইপথত বহিঃৰাজ্যৰ গৰুৰ সোঁত

**ই-সংবাদ, গোলকগঞ্জ, ৪ জুনঃ** গো সুৰক্ষা আইন ধোঁৱাচাঙত তুলি আজি ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰে হাজাৰ হাজাৰ গৰু বহি ৰাজ্যৰ পৰা আমদানি হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বহি ৰাজ্যৰ পৰা গো ধনৰ আমদানি নিষেধাজ্ঞা থকা বাবে কালি পৰ্যন্ত প্ৰশাসন এই ক্ষেত্ৰত যথেষ্ট তৎপৰ হৈ আছিল। অবৈধ ভাবে প্ৰৱেশ কৰা গৰু জব্দ কৰাৰ লগতে সৰবৰাহকাৰীক জেল হাজোত প্ৰেৰণ কৰিছিল। আজি পুৱা এখন ই-ৰিক্সাৰে কঢ়িয়াই নিয়া দুটা গৰু আৰক্ষীয়ে জব্দ কৰে। দুপৰীয়াৰ পৰা বেপাৰী সকলে পৰিকল্পিত ভাবে হালাকুৰা আগমনি ছাগলীয়া ছোটোগুমাৰ বিভিন্ন পথেৰে একেলগে সহস্ৰাধিক গৰু লৈ প্ৰৱেশ কৰে। হালাকুৰা আগমনি থানাৰ সন্মুখৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে পাৰ হোৱা দহ পোন্ধৰ টা গৰু আটক কৰে যদিও গৰুৰ ঢল নামি অহাত আৰক্ষী পথ এৰি দিয়ে। ফলত ৰাষ্ট্ৰীয় ঘাইপথত গৰুৰ লানি নিছিগা শাৰী আৰম্ভ হয়। ঈদত একাংশই পৰম্পৰা নিয়মানুসৰি কোৰবানি দিয়াৰ বাবে গৰুবোৰ আনিবলৈ তৎপৰ হৈ




উঠাৰ বিপৰীতে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে চোৰাং চক্ৰই। সুযোগ সন্ধানী চোৰাং বেপাৰীসকলে এই দিনৰ অপেক্ষাত পূৰ্বৰে পৰা গৰু ক্ৰয় কৰি সীমান্ত অঞ্চলত জমা কৰে। সাধাৰণ ৰাইজৰ অচিলাৰে সিহঁতে পাৰ কৰাই আনি অবৈধ চোৰাং চালান কৰাৰ অভিযোগ পোৱা গৈছে। গৰু আমদানি বন্ধ নে খোলা এই সন্দৰ্ভত স্পষ্ট কোনো নিৰ্দেশনা নাই স্বয়ং আৰক্ষীৰ লগতো। কেতিয়াবা খোলা কেতিয়াবা বন্ধ আকৌ বিয়লি এনেকৈ খোল খালে ৰাজপথত যান বাহন চলাচল কৰাও সমস্যা হৈ পৰে। মুঠতে নিৰ্দেশনাৰ লুকা-ভাকু খেলে ৰাইজৰ মাজত আমোদৰ খোৰাক যোগোৱা পৰিলক্ষিত হৈছে। কাইলৈ আৰু পৰহি গো সুৰক্ষা আইন বলবত থকা ৰাজ্য খনৰ গোলকগঞ্জ সম জিলাত বহি ৰাজ্যৰ গৰুৰ আমদানিৰ বাবেই সাধাৰণ ৰাইজৰ চলাচল ব্যাঘাত জন্মোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# বিদ্যুৎ উৎপাদন কেন্দ্ৰ বন্ধ কৰাৰ চক্ৰান্তৰ বিৰুদ্ধে গৰজি উঠিল আছাম ষ্টেট পাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়ন

**ই-সংবাদ, মথুৰাপুৰ, ৪ জুনঃ** অসমত বিদ্যুতৰ চাহিদা কম থকা বুলি অজুহাত দেখুৱাই যোৱা ২৫ আৰু ৩০ মেত অসম শক্তি উৎপাদন নিগমৰ অধীনস্থ কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প ,নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰ আৰু লাকুৱা তাপবিদ্যুৎ কেন্দ্ৰৰ উৎপাদন উৰ্ধতন কৰ্তৃপক্ষই বন্ধ কৰি দিয়া বিষয়টোত সৰব হৈ পৰিছে আসাম ষ্টেট পাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়ন। আজি লাকুৱা তাপবিদ্যুৎ কেন্দ্ৰত তিনিওটা শক্তি কেন্দ্ৰৰ ইউনিয়নৰ সদস্য সকলৰ এখন সভা অনুষ্ঠিত হয়। সভাত সমগ্ৰ বিষয় পুংখানুপুংখভাৱে আলোচিত হয়। এয়া এক ষড়যন্ত্ৰ বুলি অভিহিত কৰি সভাখনিত এনে কাৰ্যৰ দ্বাৰা বিদ্যুত উৎপাদন কেন্দ্ৰ কেইটাত কৰ্মৰত কৰ্মচাৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সকলৰ লগতে বিদ্যুত যোগানত নিয়োজিত কৰ্মচাৰী সকলৰ অনাগত ভৱিষ্যতত ই কুপ্ৰভাৱ পেলাব বুলি সদৌটিয়ে একেলগে মত পোষণ কৰে। সভাত চৰকাৰে অদূৰ ভৱিষ্যতে এই হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিলে ইউনিয়নে অসমৰ অন্যান্য দল-সংগঠন আৰু জনসাধাৰণৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

# বৰমা মহাবিদ্যালয়ত ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, বৰমা, ৪ জুনঃ** বাগসা জিলাৰ বৰমা মহাবিদ্যালয়ত আজি ৬২ নং বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন বড়োৱে ছাত্ৰী আবাস গৃহৰ আধাৰশিলা স্থাপন কৰে। ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন কৰি কয় যে শিক্ষানুষ্ঠানৰ উন্নয়নৰ কাৰণে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বৰমা সমষ্টিত ইতিমধ্যে মেৰকুছি আঞ্চলিক হাইস্কুল, বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭ কোটি টকা দিয়া বুলি উল্লেখ কৰে। আজি পিএম উষাৰ অনুদান মৰ্মে ২.৮০ কোটি টকা ছাত্ৰী আবাসগৃহ আধাৰশিলা স্থাপনত উপস্থিত থাকে বৰমা মহাবিদ্যালয়ৰ অধ্যক্ষা ৰৈৰূপ ব্ৰহ্মৰ লগতে অধ্যাপক চিত্তৰঞ্জন মোছাহাৰী আৰু কেইবাজনো অধ্যাপক।

# মঙলদৈৰ সৰু ঠেকেৰাবাৰীত বিবাহিত মহিলাৰ ৰহস্যজনক মৃত্যু

**ই-সংবাদ বিশেষ, মঙলদৈ, ৪ জুনঃ** মঙলদৈ থানাৰ অন্তৰ্গত সৰু ঠেকেৰাবাৰী বাঁহৰবেৰ চুবাত মঙলবাৰে এক লোমহৰ্ষক ঘটনা সংঘটিত হয়। গাঁওখনৰ আমাদুল হকৰ পত্নী জেবিআৰা বেগম (২০) নামৰ মহিলাগৰাকীৰ পেটত ছুৰীৰে আঘাত কৰাত মহিলাগৰাকীৰ অকাল মৃত্যু ঘটে। দুবছৰ পূৰ্বে সৰু ঠেকেৰাবাৰীৰ মোল্লাপাৰা চুবুৰীৰ জহুৰুদ্দিন আহমেদৰ কন্যা জেবিআৰা বেগমক একে গাঁৱৰে বহনুৰ আলিৰ পুত্ৰ ক্ষুদ্ৰ ব্যৱসায়ী আমাদুল হকে পলুৱাই নি বিয়া কৰাইছিল। তেওঁলোকৰ এটি ছমহীয়া কন্যা সন্তানো আছিল। কিন্তু ঘৰুৱা কাজিয়া-পেচালৰ পৰিপ্ৰেক্ষিতত মঙলবাৰে দিনৰ প্ৰায় ২ বজাত জেবিআৰা বেগম নামৰ মহিলাগৰাকীক চোকা অস্ত্ৰৰে আঘাত কৰি হত্যা কৰে। স্থানীয় লোকৰ পৰা জানিব পৰা মতে, পাৰিবাৰিক সংঘাতৰ বাবে এনে ঘটনা সংঘটিত হ'বলৈ পাইছে। কিন্তু মহিলাগৰাকীয়ে নিৰ্যাতন সহিব নোৱাৰি নিজে ছুৰীৰে পেটত হানি আত্মহত্যা কৰে নে স্বামীৰ পৰিয়ালে হত্যা কৰে সেয়া এতিয়া ৰহস্যৰ আৱৰ্তত। মহিলাগৰাকী আঘাতপ্ৰাপ্ত হোৱাত ওচৰ-চুবুৰীয়াই তেওঁক প্ৰথমে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও অৱস্থা



গুৰুতৰ দেখি চিকিৎসকে গুৱাহাটীলৈ প্ৰেৰণ কৰে। কিন্তু ইতিমধ্যে মহিলাগৰাকী মৃত্যুমুখত পৰে। মহিলাগৰাকীৰ পৰিয়ালৰ তৰফৰ পৰা স্বামীয়ে হত্যা কৰা বুলি মঙলদৈ থানাত এজাহাৰ দিয়ে। আৰক্ষীয়ে ইতিমধ্যে স্বামী আমাদুল হকক আটক কৰা বুলি জানিব পৰা গৈছে। আৰক্ষী তদন্ত আৰম্ভ কৰিছে আৰু তদন্তত ঘটনাৰ প্ৰকৃত ৰহস্য পোহৰলৈ আহিব।

# বাৰ্তাজীৱী সংঘৰ বৰমা জিলা সমিতিৰ প্ৰতিনিধি আৰু বিষয়বাচনি সভা সম্পন্ন

**ই-সংবাদ, বৰমা, ৪ জুনঃ** বাগচা জিলাৰ বৰমাত বুধবাৰে অনুষ্ঠিত হয় অসম বাৰ্তাজীৱী সংঘৰ বাকসা জিলা সমিতিখনৰ প্ৰতিনিধি আৰু বিষয়বাছনি সভাখন। বাস্কা প্ৰেছ ক্লাব বৰমাত ভাৰত ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে বাগসা জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ধ্ৰুৱ শৰ্মাই। ৬২ নং বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন বড়োৱে সভা উদ্বোধন কৰি বাস্কা প্ৰেছ ক্লাবৰ সমস্যা সম্পৰ্কে বুজ লৈ সেইবোৰ পৰ্যায়ক্ৰমে সমাধানৰ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূধন মেধিয়ে টোল গেটত মূলসুঁতিৰ সাংবাদিকসকলে ভুগি অহা সমস্যাৰ বিষয়ে বক্তব্য দাঙি ধৰি এই সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰি অসম বাৰ্তাজীৱী সংঘৰ কৰ্মপন্থা সম্পৰ্কে বক্তব্য দাঙি ধৰে। সভাত অসম বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি অঞ্জন শৰ্মাই বাৰ্তাজীৱী সংঘৰ বৰ্তমানৰ স্থিতি আৰু সংঘৰ কৰণীয় কামৰ লগতে জিলা সমিতিসমূহৰ ভূমিকা সন্দৰ্ভত মন্তব্য কৰে। সভাত অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মা ই অসম বাৰ্তাজীৱী সংঘই সাংবাদিকসকলৰ ন্যায্যপ্ৰাপ্তিৰ হকে অসম চৰকাৰৰ ওচৰত উত্থাপন কৰা পেঞ্চনৰ ধন বৃদ্ধি, মাজিথিয়া আয়োগ অনুসৰি সাংবাদিক সকলক দৰমহা আদায় দিয়া, সাংবাদিকৰ বীমা আঁচনি কাৰ্যকৰী কৰা, সাংবাদিকসকলক চৰকাৰী স্বীকৃতি পত্ৰ প্ৰদান কৰা আদি দাবী সম্পৰ্কে অৱগত কৰে। সভাত অসম বাৰ্তাজীৱী সংঘৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক তথা প্ৰাক্তন সাংগঠনিক সম্পাদক ভাস্কৰ শৰ্মাই অসম বৰমা বাৰ্তাজীৱী সংঘৰ ইতিহাস আৰু বাগসা জিলা সমিতি কেনেদৰে গঠন কৰিছিল সেই সম্পৰ্কে মন্তব্য দাঙি ধৰে। সভাত ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য কিশোৰ জ্যোতি শৰ্মাই নতুন সমিতি গঠনৰ নিয়মাৱলী বাখ্যা কৰাৰ লগতে নতুন সমিতিখনৰ দায়িত্ব আৰু সাগঠনিক দিশ সম্পৰ্কে মন্তব্য প্ৰকাশ কৰে। সভাত ৰাজ্যিক কানিৰ্বাহক সদস্য প্ৰশান্ত মোডক, প্ৰকাশ ডেকাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আজিৰ বিষয়বাচনি সভাত ৰাজীৱ তালুকদাৰক সভাপতি আৰু ভাৰত ৰাজবংশীক সম্পাদক হিচাপে লৈ ২১ জনীয়া বাগসা জিলা সমিতি গঠন হয়। অসম বাৰ্তাজীৱী সংঘৰ বাগসা জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তথা নতুন সমিতিৰ উপ-সভাপতি ধ্ৰুৱ শৰ্মাৰ শলাগৰ শৰাইৰ পাছতে ভংগ হয় সপ্তম দ্বি-বাৰ্ষিক প্ৰতিনিধি আৰু বিষয়বাছনি সভাখন।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# পাচনীয়াত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত জাহ যোৱাৰ উপক্ৰম জলজীৱন মিছনৰ আঁচনি

**ই-সংবাদ, অভয়াপুৰী, ৪ জুনঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত পাচনীয়াত ব্ৰহ্মপুত্ৰ নৈৰ গৰাখহনীয়াই বিধ্বংসী ৰূপ লোৱাত হাহাকাৰৰ সৃষ্টি হৈছে নৈ পৰীয়াৰ মাজত । বিগত সময়ছোৱাত হোৱা নেৰা-নেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ, নৈৰ জলপৃষ্ঠ তৰিৎ গতিত বৃদ্ধি হোৱাৰ সমান্তৰালকৈ খহনীয়াইয়ো ৰূদ্ৰৰূপ ল'বলৈ লৈছে । ইতিমধ্যে পাচনীয়াৰ মোহনপুৰ গাঁৱৰ মহামায়া পাহাৰ অঞ্চলত কেবাটাও পৰিয়ালৰ ঘৰবাৰী উছন হোৱাৰ লগতে বহু পৰিয়ালৰ ভেটিমাটি-ঘৰবাৰী উচন হোৱাৰ উপক্ৰম হৈছে । তদুপৰি নৈৰ পাৰতে নতুনকৈ ৰূপায়ণ হোৱা প্ৰায় ৮০ লাখ টকীয়া জল জীৱন মিছনৰ আঁচনিখনো নৈৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে । আনপিনে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কিছুবছৰ পূৰ্বে ৰূপায়ণ হোৱা জলসম্পদ বিভাগৰ ৩২ কোটি টকীয়া খহনীয়া প্ৰতিৰোধ আঁচনিৰ অৱশিষ্ট হিচাপে থকা পাৰ্কুপাইনো নৈৰ বুকুত জাহ যাবলৈ লৈছে। জানিব পৰা মতে, যোগীঘোপাত নদী বন্দৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে ২০১৭-১৮ বিত্তীয় বৰ্ষত ভাৰত চৰকাৰৰ



আভ্যন্তৰীণ জল পৰিবহণ বিভাগে পাচনীয়া প্ৰথম খণ্ডত এঘাৰ কোটি টকা আবন্টন দিছিল । জলসম্পদ বিভাগৰ জৰিয়তে ৰূপায়ণ হোৱা মানাহ, ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰস্তুত কৰা প্ৰাক্কলন অনুসৰি পাৰ্কুপাইন নবহুওৱাৰ ফলতে পাৰ্কুপাইনৰ পকী খুটাত লোৰ ৰ'ডৰ সলনি 'কয়েল' জাতীয় ষ্টিৰাপেৰে নামমাত্ৰ চিমেন্ট ব্যৱহাৰ কৰি পাৰ্কুপাইনবোৰ নিৰ্মাণ কৰাত বান্ধৰ কাম সম্পূৰ্ণ নৌহওঁতেই জহিখহি যাবলৈ ধৰে। বিগত সময়চোৱাত নৈ দুখনৰ গৰাখহনীয়াৰ এটাৰ পাচত এটাকৈ পাৰ্কুপাইন নৈদুখনৰ বুকুত জাহ যোৱাত আঁচনিখনৰ অস্তিত্বই প্ৰায় ধুলিসাৎ হবগৈ। তদুপৰি ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ বিত্তীয় বৰ্ষত খহনীয়া প্ৰতিৰোধৰ বাবে নিকটবৰ্ত্তী অঞ্চলতৰ ৫ নং চৰ, ৬ নং চৰ, পাচনীয়া প্ৰথম খণ্ডত মুঠ ৩২ কোটি টকা আবন্টন দিছিল যদিও বিভাগটোত সীমাহীন লুণ্ঠন চলে বুলি তেতিয়াই অভিযোগ উত্থাপিত হৈছিল। উল্লেখ্য যে অবিজ্ঞানসন্মত, অপৰিকল্পিত আৰু ধন লুণ্ঠনৰ ফন্দিৰে খৰ-খেদাকৈ নিম্নমানদণ্ডৰে কাম কৰাৰ ফলত আঁচনিখনৰ অস্তিত্ব প্ৰায় ধুলিসাৎ হোৱাৰ পৰিনতিত মানাহ আৰু ব্ৰহ্মপুত্ৰ নৈয়ে ব্যাপক খহনীয়াৰ সৃষ্টি কৰি উত্তৰ দিশলৈ সম্প্ৰসাৰিত হয় । ইতিমধ্যে খহনীয়াৰ বাবেই পাহাৰৰ ওপৰত থকা মহামায়া মন্দিৰলৈ যোৱা পথচোৱাও নৈৰ বুকুত জাহ যোৱাত ভক্তসকলে মন্দিৰলৈ যাতায়ত কৰাটোও অসম্ভৱ হৈ পৰিছে। এনে পৰিপ্ৰেক্ষিতত গঞা ৰাইজৰ নিদ্ৰাহৰণ হোৱা পৰিলক্ষিত হৈছে।

---

## চকলাঘাটৰ আদৰ্শৱান কৃষক দেবেন বৰাৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ৪ জুনঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ এলেকাধীন চকলাঘাটৰ ক্ষেত্ৰীগাঁৱৰ নিবাসী আদৰ্শৱান কৃষক, ভাওনাৰ প্ৰবীণ অভিনেতা, নামাচাৰ্য তথা ধৰ্মপ্ৰাণ ব্যক্তি দেবেন বৰাৰ বুধবাৰে পুৱা ৩.৫০ বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত জীৱনাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৫ বছৰ। কৃষিকৰ্মতো যথেষ্ট জ্ঞান থকা বৰাই নিজা প্ৰচেষ্টাৰে কৃষিকৰ্ম সুচাৰুৰূপে সম্পাদন কৰি অঞ্চলজুৰি এজন নিপুন তথা আৰ্দশৱান কৃষক হিচাপে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। কৃষিকৰ্মৰ দ্বাৰাই পৰিয়াল সুচাৰুৰূপে চলাই নিয়াৰ সমান্তৰালভাৱে নিজৰ সন্তানত সুশিক্ষাৰে শিক্ষিত কৰি তুলিছিল। নামাচাৰ্যৰূপে আন এক পৰিচয় থকা বৰাই এসময়ত স্থানীয়ভাৱে অংকীয়া ভাওনাত সুন্দৰ অভিনয় কৰিছিল। বৰাৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰাৰ বিপৰীতে বিভিন্নজনে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জনাইছে। তেওঁ মৃত্যুৰ সময়ত তিনিজন পুত্ৰ, তিনিগৰাকী বোৱাৰী, এগৰাকী জীয়ৰী, এজন জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়ক সংসাৰত এৰি যায়।

## তালাপত চাহ জনজাতি ছাত্ৰ সন্থাৰ ৩৭ সংখ্যক শ্বহীদ দিৱসৰ আয়োজন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৪ জুনঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা, চমুকৈ আটছাই ১৯৮৮ চনত অসমৰ চাহ শ্ৰমিক তথা চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত ধাৰাবাহিক আন্দোলনৰ কাৰ্য্যসূচী ঘোষণা কৰিছিল। চাহ বাগিছাৰ মালিক তথা চৰকাৰী শোষণৰ প্ৰতিবাদত ১৯৮৮ চনৰ ৭ জুন তাৰিখে ঘোষণা কৰা এক আন্দোলনৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহি মৰিয়নিৰ কাঠকটীয়া তিনিআলিত অষ্টম আৰু নৱম শ্ৰেণীত পঢ়ি থকা পাঁচজনকৈ আটছাৰ কৰ্মী ক্ৰমে কৃতিনাথ ছেত্ৰী, গোলেশ্বৰ ছত্ৰী, বুলু কুৰ্মী, ইন্দ্ৰ তাঁতী, এডমাণ্ড বাৰ্লাই এক ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হৈ অকালতে প্ৰাণ হেৰুৱাইছিল। আটছাই অমৰ শ্বহীদ ঘোষণা কৰা এই পাঁচোজন চাহ জনগোষ্ঠীৰে নহয়, সমগ্ৰ অসমৰে অন্যতম কণিষ্ঠতম ছাত্ৰ শ্বহীদ। ১৯৯২ চনত আনন্দ খালখো আৰু ২০০৯ চনৰ ৭ জুনত শ্বহীদ হোৱা আটছাৰ অন্য পাঁচজন শ্বহীদ ক্ৰমে-অজিত মুণ্ডা, নাৰায়ণ দাস, বিনন্দ পাটৰ, অজয় কুৰ্মী আৰু চামু পাটৰ আৰু ২০১৯ বৰ্ষত "কা" আন্দোলনৰ শ্বহীদ ঈশ্বৰ নায়কক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যেৰে অহা ৭ জুনত আটছাৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু তালাপ, ডুমডুমা, মাকুম, তিনিচুকীয়া, ডিগবৈ, পেঙেৰী আৰু মাৰ্ঘেৰিটা শাখাৰ সহযোগত তথা অসম চাহ জনজাতি মহিলা সমিতি চমুকৈ 'আটুৱা'ৰ তালাপ শাখা সমিতিৰ আতিথ্যত তালাপ ৰেজিষ্টাৰ অফিচ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্য্যসূচীৰে আটছাৰ ৩৭ সংখ্যক শ্বহীদ দিৱস উদযাপনৰ আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি, পুৱা ১০ বজাত পতাকা উত্তোলন কৰিব আটছাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়কে। ১০-৩০ বজাত শ্বহীদ তৰ্পণ কৰিব সম্পাদক অনুজ তাঁতীয়ে। ১১ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হ'ব। ২ বজাত জগত নায়কৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া স্মৃতিচাৰণ সভাত আটছাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, প্ৰাক্তন বিষয়ববীয়াৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দ আৰু ভালেকেইগৰাকী বিশিষ্ট সমাজকৰ্মী উপস্থিত থাকিব। সন্ধিয়া ৬ বজাত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদক অমিত কৰ্মকাৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# তামুলপুৰত অন্ন সেৱা দিনত সামগ্ৰী বিতৰণত অৱহেলা কৰা ৩৭ জন সুলভ মূল্যৰ দোকানীলৈ কাৰণ দৰ্শোৱাৰ জাননী

**ই-সংবাদ, তামুলপুৰ, ৪ জুনঃ** ১ জুনৰ পৰা ২০ জুনলৈ ৰাজ্যৰ প্ৰতিখন সুলভ মূল্যৰ দোকানীত চলি থকা বিশেষ অন্ন সেৱা দিনত সামগ্ৰী বিতৰণত কৰা অৱহেলাৰ বাবে তামুলপুৰৰ ৩৭ জন সুলভ মূল্যৰ দোকানীলৈ জাৰি কৰা হৈছে কাৰণ দৰ্শোৱাৰ জাননী। ইয়াৰে ৮ খন সুলভ মূল্যৰ দোকানীয়ে মাত্ৰ নগণ্যসংখ্যক ৰেচন কাৰ্ডৰ গৰাকীকহে সামগ্ৰী বিতৰণ কৰি আছিল। চৰকাৰী নিৰ্দেশ সঠিকভাৱে পালন নকৰা দোকানীসকলৰ বিৰুদ্ধে আজি তামুলপুৰ জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত সহকাৰী সঞ্চালকৰ নেতৃত্বত বিভাগৰ এক পৰিদৰ্শনকাৰী দলে আজি দক্ষিণ ডেফেলী বহুমুখী সমবায় সমিতিৰ এলেকাত আকস্মিক পৰিদৰ্শন চলায়। এই অভিযানৰ সময়ত পোহৰলৈ আহে যে চৰকাৰী নিদেৰ্শনাৰ পাছতো সুলভ মূল্যৰ দোকানী কেইজনমানে জুন, জুলাই আৰু আগষ্ট এই তিনিমাহৰ একেলগ কৰাৰ সলনি কেৱল জুন আৰু জুলাই মাহৰহে সামগ্ৰী বিতৰণ কৰি আছিল। পৰিদৰ্শনকাৰী বিষয়াৰ দলে উপস্থিত থকা ৰেচন কাৰ্ডৰ গৰাকী সকলক তিনিমাহৰ সামগ্ৰী লবৰ বাবে অনুৰোধ জনায় আৰু গাৱৰ সকলো ৰেচন কাৰ্ডৰ হিতাধিকাৰীক তিনিমাহৰ সামগ্ৰীহে লবৰ বাবে জনাই দিবলৈ গোহাৰি দিয়ে । ইফালে পৰিদৰ্শনকাৰী বিষয়াৰ দলটোক দুগৰাকী সুলভ মূল্যৰ দোকানীয়ে প্ৰাপ্য পৰিমাণতকৈ ৩ কেজি চাউল কমাই দিয়াৰ অভিযোগ দিয়ে। এই বিষয়ত দুটা সুকীয়া তদন্ত কৰাৰ বিষয়ে জানিব পৰা গৈছে। ইফালে পৰিদৰ্শনকাৰী বিভাগৰ বিষয়াৰ দলে সুলভ মূল্যৰ দোকানত পালন হব লগীয়া নিয়ম যেনে চাইন বৰ্ড, মূল্য আৰু মজুতৰ ফলক, হিতাধিকাৰীৰ তালিকা, চৰকাৰী নিয়ম নীতিৰ প্ৰতিলিপি, দোকান খোলাৰ আৰু বন্ধৰ সময় আদি উল্লেখ নথকাৰ বাবে বিভাগৰ পৰা তদন্ত কৰি অনুশাসনমূলক ব্যৱস্থা লোৱা হব বুলি জানিবলৈ দিছে। উল্লেখযোগ্য যে যোৱা ৩১ মে'ৰ দিনা তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীৰ পৌৰহিত্যত অনুঠিত সভাত জিলাৰখনৰ সকলো সুলভ মূল্যৰ দোকানীলৈ অনুৰোধ জনোৱা হৈছিল যে সামগ্ৰী উত্তোলন ৫ জুনলৈকে পৰ্যায়ক্ৰমে চলি থাকিলেও নিয়ন্ত্ৰিতভাৱে ৰেচন কাৰ্ডৰ হিতাধিকাৰীক এবাৰতে তিনিমাহৰ চাউল বিতৰণ কৰিব। একে সভাতে জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে জিলাৰখনৰ সুনাম নষ্ট হোৱা কামৰ পৰা বিৰত থাকি বিশেষ অন্ন সেৱা দিনত সামগ্ৰী বিতৰণত অৱহেলা নকৰি দৰিদ্ৰ জনতাক সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত উৎসাহিত হবলৈ সকলো সুলভ মূল্যৰ দোকানীলৈ অনুৰোধ জনাইছিল যদিও এচাম সুলভ মূল্যত দোকানীয়ে নিজা মতেহে সামগ্ৰী বিতৰণত লাগে। আজিৰ পৰিদৰ্শন কালত সুলভ মূল্যৰ দোকানী ক্ৰমে গোবিন্দ বড়ো, ৰাজেন বড়ো, ভবেন্দ্ৰ নাৰ্জাৰী, চতিশ দৈমাৰী, মনেশ্বৰ স্বৰ্গীয়াৰী, ধাৰেশ্বৰ বড়োৰ সুলভ মূল্যৰ দোকানত বিসংগতি পোহৰলৈ আহে।

# মৰিগাঁও নগৰ এম ই স্কুলত মধ্যাহ্ন ভোজনত অনিয়ম, প্ৰধান শিক্ষকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ

**ই-সংবাদ, লাহৰীঘাট, ৪ জুনঃ** মৰিগাঁও জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) নীতিশা বৰাই আজি মৰিগাঁও নগৰ এম ই স্কুল আকস্মিকভাৱে পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত প্ৰধান শিক্ষকৰ অনিয়মীয়া উপস্থিতি আৰু মধ্যাহ্ন ভোজনত অনিয়ম সংঘটিত কৰাটো পোহৰলৈ আহে। পুৱা প্ৰায় ১১.৫০ বজাত শ্ৰীমতী বৰাই মধ্যাহ্ন ভোজন ৰন্ধা পাকঘৰত তলা লগোৱা অৱস্থাত পায় আৰু ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জাকিৰ হুছেইনক শিক্ষা সেতু এপত পুৱা ৮.৪৩ বজাত উপস্থিতি দিয়াৰ পিছতো বিদ্যালয়ত অনুপস্থিত পায়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে ফোন কৰাত প্ৰধান শিক্ষকগৰাকীয়ে তেওঁ অসুস্থ আৰু ঘৰতে জিৰণি লৈ থকা বুলি জানিবলৈ দিয়ে। লগতে তেওঁ ছুটীৰ কোনো আবেদন দাখিল কৰা নাছিল আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰাও নাছিল বুলি স্বীকাৰ কৰে। তদুপৰি, মধ্যাহ্ন ভোজনৰ নিৰ্ধাৰিত আহাৰ চাউল, দাইল, কণী দিয়াৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলক মাত্ৰ দহটকীয়া বিস্কুটৰ দুটা পেকেটহে দিয়া পৰিলক্ষিত হয়। বৰাই কয় যে, এয়া গ্ৰহণযোগ্য নহয়। এই শিশুসকলৰ বহুতেই পুৱা ভোকত আহি বিদ্যালয়ত উপস্থিত হয় আৰু দিনটোৰ প্ৰথম খাদ্য হিচাপে মধ্যাহ্ন ভোজনলৈ বাট চাই থাকে। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে ৰান্ধনী আৰু সহায়কক তৎক্ষণাত উপযুক্ত আহাৰৰ ব্যৱস্থা কৰি খাদ্য প্ৰস্তুত আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। শ্ৰীমতী বৰাই জানিব পাৰে যে জাকিৰ হুছেইনক পূৰ্বেও কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছিল আৰু সতৰ্কবাণী প্ৰদান কৰা হৈছিল। তেওঁ জিলা আয়ুক্তৰ লগত আলোচনা কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ক জাকিৰ হুছেইনক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পদৰ পৰা তৎকালীনভাৱে অৱনমিত কৰি পৰৱৰ্তী যোগ্য শিক্ষকক এই দায়িত্ব দিয়াৰ লগতে তেওঁক নিলম্বনৰ বাবে সঞ্চালকালয়লৈ পত্ৰ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। জানিব পৰা মতে ইতিমধ্যে আন এগৰাকী শিক্ষকক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পন কৰা হৈছে। বিদ্যালয় পৰিচালনাত স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ লগতে কয় যে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকগৰাকীৰ এনে কাৰ্য সমগ্ৰ ব্যৱস্থাটোক তথা বিভাগ দুয়োটাকে বিপথে পৰিচালিত কৰাৰ এক অপচেষ্টা।

# মানৱ দৰদী চিকিৎসক নজিৰুল ইছলামক ৰাজহুৱা সম্বৰ্ধনা

**ই-সংবাদ, কলগাছিয়া, ৪ জুনঃ** বৰপেটা জিলাৰ কলগাছিয়াত অৱস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত অধীক্ষক হিচাপে দায়িত্ব পালন কৰি অৱসৰ গ্ৰহণ কৰা বিশিষ্ট মানৱ দৰদী চিকিৎসক ডাঃ নজিৰুল ইছলামক বৰপেটা অসামৰিক চিকিৎসালয় কতৃপক্ষৰ তৰফৰ পৰা চিকিৎসালয়খনৰ প্ৰেক্ষাগৃহত ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়। বৰপেটা অসামৰিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ নেকিব উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট চিকিৎসক তথা ডায়েবেটিছ বিশেষজ্ঞ ডাঃ নজৰুল ইছলামে। অনুষ্ঠানটোত বিশিষ্ট চিকিৎসক ডাঃ নজিৰুল ইছলামক এখন সম্বৰ্ধনা-পত্ৰ, গামোচা, জাপি, গ্ৰন্থ, লাখুটি আদিৰে ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল শৰ্মা বৰুৱা, বৰপেটা জিলা স্বাস্থ্য বিষয়া ডাঃ হাছমত আলী, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য এম মোজাম্মেল হুছেইন, প্ৰবীণ সাংবাদিক মৌলানা আব্দুল হামিদ, অৱসৰপ্ৰাপ্ত অধ্যাপক আবু বক্কৰ ছিদ্দিক আদি বিশিষ্ট ব্যক্তিসকলে ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল শৰ্মা বৰুৱাই কয় যে চিকিৎসক হ'ল ভগৱানস্বৰূপ। মৃত্যুমুখত পৰা মানুহক একমাত্ৰ চিকিৎসকেহে জীৱন দান দিব পাৰে। অধ্যাপক আবু বক্কৰ ছিদ্দিকে ভাষণত কয়, ডাঃ নজিৰুল ইছলামে সদায় মানৱ দৰদী কাম কৰি গৈছে। তেওঁ কলগাছিয়াৰ মানুহৰ আত্মাৰ সৈতে মিলি গৈছে। এনে মহান চিকিৎসক সহজতে পোৱা নাযায়। তেওঁৰ মৃত্যু হ'লে গোটেই কলগাছিয়াবাসীয়ে কান্দিব। তেওঁ স্বাস্থ্য সেৱাৰ উপৰি বহু সামাজিক কামত জড়িত হৈ বৃহত্তৰ কলগাছিয়া অঞ্চলৰ উন্নয়নৰ স্বাৰ্থত নিস্বাৰ্থত কাম কৰি আহিছে। অনুষ্ঠানটোত বিশিষ্ট চিকিৎসক, নাৰ্চ, স্বাস্থ্য কৰ্মী আদিয়ে কেক কাটি বিশিষ্ট চিকিৎসকগৰাকীৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে আনন্দ উল্লাস কৰে।

# নগাঁৱত বানত উটি অহা দুটা হৰিণা পহু উদ্ধাৰ কৰি গতালে বন বিভাগক

**ই-সংবাদ, বেবেজীয়া, ৪ জুনঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো অপৰিবৰ্তিত আছে বান পৰিস্থিতি। ঘাইকৈ জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তত কপিলী, বৰপানী আৰু নিশাৰী নৈৰ বাঢ়নী পানীয়ে চলোৱা তাণ্ডৱত ৰাইজ দিশহাৰা হৈ পৰিছে। এনে পৰিস্থিতিত বহু বানাক্ৰান্তই নিজৰ ঘৰ-বাৰী এৰি প্ৰাণৰ মমতাত নিৰাপদ স্থানত আশ্ৰয় লৈ পোহনীয়া জীৱ-জন্তুৰ সৈতে সহবাস কৰিবলগীয়া হৈছে। ইয়াৰ মাজতে বুধবাৰে জিলাখনৰ কামপুৰ ৰাজহ চক্ৰৰ এলেকাধীন কঠীয়াতলীত উদ্ধাৰ কৰা হয় বাঢ়নী পানীত উটি অহা দুটা হৰিণা পহু। আচলতে, বিয়লি প্ৰায় দুই মান বজাত কঠীয়াতলীৰ পশ্চিম কাৱৈমাৰীত বানপানীত দুটা হৰিণা পহু উটি অহা প্ৰত্যক্ষ কৰে স্থানীয় লোকে। লগে লগে এই লোকসকলে তৎপৰতাৰে সাহসিকতাৰ পৰিচয় দি সাঁতুৰি গৈ পানীৰ পৰা বহু কষ্টৰে হৰিণা পহু দুটা জীৱন্তে উদ্ধাৰ কৰি বন বিভাগৰ লোকক খবৰ দিয়ে। পিছত কঠীয়াতলী বনাঞ্চলিক কাৰ্যালয়ৰ পৰা বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হোৱাত ৰাইজে হৰিণা পহু দুটা বন বিভাগৰ লোকক চমজাই দিয়াত হৰিণা পহু দুটা কঠীয়াতলী বনাঞ্চলিক কাৰ্যালয়লৈ লৈ যায়। উল্লেখ্য, ৰাজ্যত এচাম অসাধু প্ৰকৃতিৰ ব্যক্তিয়ে বন্যপ্ৰাণী নিধন কৰি ইয়াৰ মাংস, ছাল, নখ, দাঁত, হাড় আদিৰ চোৰাং বেহা চলাই থাকি জীৱকুলৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ সময়তে কঠিয়াতলীৰ পশ্চিম কাৱৈমাৰীৰ ৰাইজে এনেদৰে বানত উটি অহা দুটা নিঃসহায় হৰিণা পহু পানীৰ পৰা উদ্ধাৰ কৰি আনি বন বিভাগক গতাই দিয়া মহান পদক্ষেপৰ শলাগ লৈছে প্ৰকৃতিপ্ৰেমী সচেতন লোকসকলে।

# দৰঙৰ ডাঁহীত পথ দুৰ্ঘটনাত থিতাতে নিহত ১, আহত এজন

**ই-সংবাদ দুনী, ৪ জুনঃ** পশ্চিম মঙলদৈৰ মঙলদৈ-পাথৰিঘাট-খৈৰাবাৰী পথৰ ডাঁহীত মঙলবাৰে নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ বিপৰীতে আহত হয় আন এজন। নিশা প্ৰায় ৯.২০ বজাত সংঘটিত দুৰ্ঘটনাত নিহত লোকজনক স্থানীয় হিঙাবাৰী চুবুৰিৰ ৫৬ বছৰীয়া কাঞ্চা ওৰফে সোণেশ্বৰ বণিয়া বুলি চিনাক্ত কৰা হৈছে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি, যোৱানিশা ভাত-পানী খাই সোণেশ্বৰে এমপিকে পথৰ খৰাভাঙাত মাছ বিচাৰি ওলাই আহিছিল। সততে দিন-হাজিৰা আৰু মৎস্য চিকাৰ কৰি জীৱন নিৰ্বাহ কৰি চলা লোকজনে পানী যুৰলিত মাছ চাই পথলৈ উঠি আহোতেই স্থানীয় শালৈপাৰা গাঁৱৰ অৰূপ ডেকাৰ এএছ-১৩ এফ-৫৫৯৭ নম্বৰৰ তীব্ৰবেগী বাইকখনে খুন্দামাৰে। অৰূপে ডাঁহী ডাউকাপাৰা পথাৰত সুৰা আৰু গাঞ্জা খাই ঘৰলৈ ওভতাৰ পথত তীব্ৰবেগত বাইক চলাই এই দুৰ্ঘটনা কৰে বুলি নিশা উপস্থিত একাংশই দাবী কৰে। ইতিপূৰ্বে এক দুৰ্ঘটনাত কথমপি প্ৰাণৰক্ষা পৰা যুৱকজনৰ এই কাণ্ডত ৰাইজে নিশা বাহনখনত জুই দি গুৰুতৰভাৱে আহত অৰূপক জীয়াই জীয়াই পুৰিবলৈ উদ্যত হয়। কিয়নো নিচাসক্ত যুৱকজনে পৰিয়ালৰ লগতে স্থানীয় ৰাইজক অতিষ্ঠ কৰি আহিছিল। কিন্তু বুলবাজ শৰ্মা নামৰ এজন যুৱকজনে এইবোৰ কাৰ্য সংঘটিত কৰাৰ পৰা ৰাইজক বাধা দিয়ে। পিছত মঙলদৈ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আহত অৰূপক চিকিৎসাৰ বাবে আৰু কাঞ্চাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ লৈ আহে।আজি দিনৰ ভাগত কাঞ্চাৰ মৃতদেহৰ অন্ত্যেষ্টিক্ৰীয়া ডাঁহীত সম্পন্ন হয়। এজন ২৩ বছৰীয়া পুত্ৰ আৰু পত্নীক ইহসংসাৰত এৰি যোৱা কাঞ্চা আছিল ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী।

# যোৰহাটত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ পৰ্যালোচনা সভা সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ৪ জুনঃ** যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভাপতিৰ অধ্যক্ষতাত জিলাখনৰ বান প্ৰতিৰোধ আৰু প্ৰশমন ব্যৱস্থা সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক ৪ জুনত সম্পন্ন হয়। জিলা আয়ুক্তগৰাকীয়ে জিলা-প্ৰশাসনৰ বিষয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে জিলাখনৰ সম্ভাব্য বান পৰিস্থিতিৰ মোকাবিলা তথা বান প্ৰস্তুতিৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ প্ৰশমন কৌশলৰ আলোচনা কৰে। জিলাখনৰ নদীৰ মথাউৰিবোৰৰ পৰস্থিতি, পথৰ দলং, কালভাৰ্ট ইত্যাদি শক্তিশালী কৰা, বানপানীৰ পূৰ্বে পোহনীয়া জীৱ - জন্তুৰ টিকাকৰণ, অত্যাৱশ্যকীয় সামগ্ৰী তথা ঔষধ মজুত ৰখা, সাহাৰ্য শিবিৰৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। সম্ভাব্য বানৰ ক্ষেত্ৰত ইতিমধ্যে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে তাৎক্ষণিকভাৱে ল'বলগীয়া ব্যৱস্থাৰ ক্ষেত্ৰত সক্ষম হৈ থাকিবলৈ জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক পৰামৰ্শ দিয়ে। যোৰহাটৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়াগৰাকীয়ে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে জিলা-প্ৰশাসনে বান প্ৰস্তুতিৰ ক্ষেত্ৰত আগতীয়াকৈ গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰে। আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত আৰক্ষী অধীক্ষক, তিতাবৰ সম-জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, ৰাজহ চক্ৰ বিষয়া, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# গোলাঘাটৰ বৰপথাৰত প্ৰশাসনৰ উচ্ছেদ অভিযান

**ই-সংবাদ, সৰুপথাৰ, ৪ জুনঃ** সৰুপথাৰ সমজিলাৰ বৰপথাৰ নগৰৰ বহুকেইটা স্থানত আজি চলিল প্ৰশাসনৰ উচ্ছেদ অভিযান। উল্লেখ্য যে বৰপথাৰ নগৰত একাংশ লোকে দীৰ্ঘদিন ধৰি অবৈধভাৱে চৰকাৰী ভূমি দখল কৰি গঢ়ি তুলিছিল ব্যৱসায়ীক প্ৰতিষ্ঠান। যাৰফলত যান-জঁটৰ সমস্যা, পথ দুৰ্ঘটনা, পাৰ্কিংৰ অসুবিধা আদিৰ লগতে বহু সমস্যাৰ সন্মুখীন হৈছিল জনসাধাৰণ। ইপিনে বৰপথাৰ পৌৰসভাৰ প্ৰাক্তন পৌৰপতিয়েও অবৈধভাৱে দখল কৰি ৰাখিছিল বহু চৰকাৰী ভূমি। প্ৰাক্তন পৌৰপতিৰ দখলত বৰপথাৰ নগৰৰ ১০ নং ৱাৰ্ডত থকা প্ৰায় ১৮০ ফুট দীঘল আৰু ৪ ফুট বহল মাটিডোখৰো প্ৰশাসনে উচ্ছেদ কৰে। লগতে নগৰখনৰ মাজমজিয়াত থকা কেইবাখনো ব্যৱসায়ীক প্ৰতিষ্ঠান, বিল্ডিঙৰ গৰাকীয়ে ফুটপাথৰ মাটিও দখল কৰি ৰাখিছিল। লগতে নগৰখনৰ কালিবাৰীৰ সঞ্জীৱ দাস নামৰ লোকজনে দীৰ্ঘদিনৰ পৰা দীঘলে প্ৰায় ১৫০ ফুটতকৈও অধিক পৰিমাণৰ চৰকাৰী ভূমি বেদখল কৰি তাত কেইবাখনো ব্যৱসায় প্ৰতিষ্ঠান স্থাপন কৰি ভাড়া দি থৈছিল। উক্ত বেদখলীকৃত ভূমিত থকা আটাইকেইখন দোকান প্ৰশাসনে উচ্ছেদ কৰে। উচ্ছেদ কালত চৰকাৰী ভূমি অবৈধভাৱে দখল কৰি থকা সঞ্জীৱ দাস নামৰ লোকজনে বেদখলীকৃত চৰকাৰী ভূমি নিজৰ বুলি দাবী কৰি কতব্যৰত চৰকাৰী বিষয়াৰ লগত তৰ্কত লিপ্ত হোৱাৰ লগতে একপ্ৰকাৰ ভাবুকি দি উচ্ছেদ চলাবলৈ বাধা প্ৰদান কৰে। কিন্তু আৰক্ষী প্ৰশাসনৰ আগত গুণ্ডাগিৰি দেখুওৱা লোকজনৰ এনে কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰশাসন অধিক কঠোৰ হৈ লোকজনে অবৈধভাৱে দখল কৰি থকা চৰকাৰী ভূমি বেদখল মুক্ত কৰে। বৰপথাৰ পৌৰসভাৰ সহযোগত আজি এই উচ্ছেদ অভিযানৰ নেতৃত্ব দিয়ে সৰুপথাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনোজ কুমাৰ দলে। লগতে বৰপথাৰ আৰক্ষী, অৰ্ধসামৰিক বাহিনী, বৰপথাৰ বিদ্যুৎ বিভাগ, পৌৰসভাৰ বিষয়া-কৰ্মচাৰীয়ে এই অভিযানত সহযোগ কৰে।

## আমগুৰিত সংবাদমেল সম্বোধন কৰি সন্দেহযুক্ত বাংলাদেশীক বহিষ্কাৰৰ দাবী

# অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়াৰ দাবী অসমীয়া যুৱ মঞ্চৰ

**ই-সংবাদ, আমগুৰি, ৪ জুনঃ** অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়াৰ দাবী জনাই আজি অসমীয়া যুৱ মঞ্চই আমগুৰিস্থিত কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰে। অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক আকাশ শইকীয়াই সংবাদমেলত কয় যে বানপানী সমস্যাক আমাৰ জাতীয় উৎসৱ হিচাপে ঘোষণা কৰক। সমগ্ৰ অসমৰ লগতে লখিমপুৰ, নাওবৈচা, ৰঙানদী আদি অঞ্চলত প্ৰতিবছৰে বানপানীয়ে যি তাণ্ডৱৰ সৃষ্টি কৰি আহিছে। অসমৰ সম্পদ ৰাষ্ট্ৰীয় সম্পদ হ'ব পাৰে, তেন্তে কিয় অসমৰ বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি পাব নোৱাৰে। অসমক কেন্দ্ৰীয় চৰকাৰে প্ৰতাৰণা কৰাৰ অভিযোগ আনি কয় যে নীপকোৰ বাবেই লখিমপুৰ, নাওবৈচা, ৰঙানদী আদি অঞ্চলৰ মানুহখিনি অসমৰ মানচিত্ৰৰ নাইকিয়া হ'বলৈ গৈ আছে। তেনে পৰিস্থিতিত অসমবাসী ৰাইজে এবাৰ ভাবক, অলপ চিন্তা কৰক কথাবোৰ যে জলবোমা স্বৰূপ এনএইচপিচি নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্প যদি ভাগিবলৈ হয়, ২০০০ মেগাৱাটৰ পানী যেতিয়া সোঁত ব'ব, তেতিয়া অসমৰ মানচিত্ৰৰ পৰা লখিমপুৰ, মাজুলী, ধেমাজি জিলা নিশ্চিহ্ন হৈ যাব। যদি বৃহৎ নদীবান্ধৰ অসমৰ সম্পদ হয় তেন্তে ২০১৪ চনত কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিং আৰু অসমৰ গেৰুৱা বাহিনীয়ে লখিমপুৰত আহি কি যুক্তিত নামনি সোঁৱনশিৰি জলবিদ্যুৎ প্ৰকল্প কোনো কাৰণতে হ'ব নোৱাৰে বুলি প্ৰতিশ্ৰুতি দিছিল। আজি সেইজন অসমপ্ৰেমী ৰাজনাথ সিং ক'ত গ'ল। বানপানীক লৈ অমিত শ্বাহৰ দৰে জনাবুজা ব্যক্তিয়ে তুলুঙা মন্তব্য দিয়াৰ পৰা সদায় বিৰত থাকিবলৈ আহ্বান জনাই কি যুক্তিত কৈছিল যে অসমৰ ৫০ টা পুখুৰী খান্দিলে অসমৰ বান সমস্যাৰ সমাধান হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশ্ন কৰি কয় যে ১৬ মে'ত অবৈধ বিদেশীয়ে টালি-টোপোলা বান্ধি অসম এৰাৰ প্ৰতিশ্ৰুতি কি হ'ল? নৰেন্দ্ৰ মোদীয়ে স্পষ্ট কৰক সেই টালি-টোপোলা বন্ধা দিৱসৰ ১৬ মে' কোন চনত আহিব? কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰ চলি থাকোঁতেই অবৈধ সন্দেহযুক্ত বাংলাদেশীক অসমৰ পৰা বহিষ্কাৰ কৰিবলৈ দাবী জনায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অধীনত মৰিগাঁও জিলাত পযেকজোৰা কাৰ্যসূচী

**ই-সংবাদ, লাহৰীঘাট, ৪ জুনঃ** কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত ৰূপায়িত ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অধীনত মৰিগাঁও জিলাতো অহা ১৫ জুনৰ পৰা ৩০ জুনলৈ পযেকজোৰা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি এই সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে মৰিগাঁও জিলাৰ জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ বিতং তথ্য আগবঢ়ায়। অনুষ্ঠানত আয়ুক্তগৰাকীয়ে বিভাগসমূহক দুখন জনজাতীয় গাঁৱক আদৰ্শ গাঁও হিচাপে লৈ শিক্ষা, স্বাস্থ্য, পথ যোগাযোগ, বিদ্যুৎ আদি প্ৰতিটো দিশত আগশাৰীৰ আৰু উন্নত গাঁও হিচাপে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। তেওঁ বহনক্ষম উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে সামগ্ৰিক উন্নয়ন সুনিশ্চিত কৰিবলৈ হ'লে জনজাতীয় উন্নয়নক অগ্ৰাধিকাৰৰ বিষয় হিচাপে ল'ব লাগিব। সভাত প্ৰতিটো বিভাগে তেওঁলোকৰ অধীনত ৰূপায়িত আঁচনি আৰু বিভিন্ন ক্ষেত্ৰত থকা সম্ভাৱনাসমূহৰ বিষয়ে আলোকপাত কৰে। জিলা আয়ুক্তগৰাকীয়ে কয় যে কেৱল আঁচনি ৰূপায়ণ কৰিলেই নহ'ব, উদ্ভাৱনীমূলক পদক্ষেপ তথা বিভিন্ন ক্ষেত্ৰত থকা বিকাশৰ সম্ভাৱনাসমূহক উলিয়াই আনিব পাৰিব লাগিব। তেতিয়াহে প্ৰকৃত অৰ্থত জনজাতীয় বিকাশ সম্ভৱ হৈ উঠিব বুলি তেওঁ কয়। আজিৰ সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈয়ে জনজাতীয় গাঁওসমূহত মহিলা সবলীকৰণৰ বাবে দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত কৃষি, মীন, সমাজ কল্যাণ, স্বাস্থ্য, লোকনিৰ্মাণ (পথ), লোকনিৰ্মাণ (গৃহ), পশুপালন আৰু পশুচিকিৎসা, বিদ্যুৎ বিভাগ আদি বিভাগে জনজাতীয় বিকাশৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ ওপৰত আলোকপাত কৰে। অতিৰিক্ত জিলা আয়ুক্ত সুলক্ষণা বৰপাত্ৰগোহাঁয়ে এই অভিযানৰ অধীনত ৰূপায়ন কৰিবলগীয়া শিবিৰসমূহত প্ৰতিটো বিভাগৰ সহায়-সহযোগিতা আৰু সক্ৰীয় অংশগ্ৰহণ কামনা কৰে। উল্লেখ্য যে এই শিবিৰসমূহত সকলো বিভাগে বিভিন্ন আঁচনিৰ সুবিধা জনজাতীয় লোকসকলক থিতাতে প্ৰদান কৰিব আৰু বহু আঁচনিৰ বাবে নাম পঞ্জীয়ন কৰিব। লগতে স্বাস্থ্য শিবিৰ, আধাৰ, আয়ুস্মান কাৰ্ড আদিৰ বাবেও এইসমূহ শিবিৰত কাম কৰা হ'ব। আজিৰ অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মা আৰু ডঃ সংগীতা বৰঠাকুৰ আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল।

## ছিপাঝাৰত বানত বুৰ গৈছে বৰো ধানৰ খেতি, হতাশ কৃষক ৰাইজ

**ই-সংবাদ, ছিপাঝাৰ, ৪ জুনঃ** জেঠুৱা বানত বিপৰ্যস্ত হৈছে দৰং জিলাৰ বৃহত্তৰ ছিপাঝাৰৰ বৰো ধানৰ খেতিয়কসকল। ব'হাগৰ শেষৰ সপ্তাহৰ পৰা হৈ থকা প্ৰবল বৰষুণৰ বাবে পথাৰসমূহত জমা হোৱা পানীত বুৰ গৈছে পকা বৰো ধান। যাৰবাবে কৃষকে ধান কাটিবলৈ গৈ চৰম আহুকালৰ সন্মুখীন হৈছে কৃষকসকল। বিশেষকৈ ইয়াৰ নিজ ছিপাঝাৰৰ পৰা গৰুখুঁটিলৈ আৰু খান্দাজান, নাৰিকলিৰ পৰা সানোৱা, সাতখলিলৈ বান ক্ষতিগ্ৰস্ত এক বৃহৎ অঞ্চলৰ কৃষকে শালি ধানৰ খেতিৰ পৰিবৰ্তে বৰো ধানৰ খেতিৰে জীৱন জীৱিকা মোকলাই আহিছে। প্ৰতি বছৰে দক্ষিণ ছিপাঝাৰৰ প্ৰায় দহখন বৃহৎ পথাৰৰ কেইবাসহস্ৰ বিঘা ভূমিত বৰো ধানৰ খেতিয়ে অঞ্চলটোৰ কৃষি অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু পৰিতাপৰ বিষয় যে এইবেলি আগতীয়া বৰষুণৰ প্ৰকোপৰ বাবে বহুতো পকা বৰো ধানৰ পথাৰ বুৰ গৈছে বানত। যাৰ বাবে একাংশ কৃষকে বহু কষ্টৰে ধান চপাইছে যদিও অধিকসংখ্যকেই পানীত বুৰ যোৱা ধান দাবলৈ গৈ উভতি আহিছে। উল্লেখ্য যে নিজ ছিপাঝাৰ, বৰা চুবা, গৰুখুঁটি, মহৰীয়াৰ দল, নাৰিকল, খান্দাজান, সানোৱা, সাতখলিৰ পৰা কুৰুৱা গ্ৰেণ্টলৈ অধিকসংখ্যক পথাৰৰ দ অংশৰ পকা বৰো ধান বানত বুৰ গৈছে। তেনে পৰিপ্ৰেক্ষিতত খেতিয়কসকলে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এইটো সপ্তাহৰ ভিতৰতে পথাৰৰ পকা ধান চপাব নোৱাৰিলে অঞ্চলটোৰ অধিকাংশ কৃষকৰ জীৱন-জীৱিকাৰ সপোন চকুলোৰে ৰূপান্তৰ হ'ব।

# নগাঁৱত সদৌ অসম মেজৰ ৰেংকিং টি টি সমাপ্ত

**ই-সংবাদ ক্ৰীড়া সেৰা, নগাঁও, ৪ জুনঃ** নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত যোৱা ৩১ মে'ৰ পৰা ৩ জুনলৈকে অনুষ্ঠিত ষষ্ঠদশ সংখ্যক ত্ৰৈলোক্য নাথ সোঁৱৰণী সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ ( টি টি ) প্ৰতিযোগিতাৰ ছিনিয়ৰৰ পুৰুষ শাখাত গুৱাহাটীৰ দিব্যিয়াজ ৰাজখোৱা ৰয় আৰু মহিলা শাখাত অইলৰ তৃষা গগৈয়ে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। অসম টেবুল টেনিছ সন্থাৰ স্বীকৃতিপ্ৰাপ্ত তেৰটা জিলা গোটৰ পৰা চাৰে চাৰিশৰো অধিক খেলুৱৈয়ে ভাগ লোৱা এই প্ৰতিযোগিতাত গুৱাহাটীৰ গাৰ্গী শইকীয়া, শিলচৰৰ দিবিজা পাল আৰু ডিব্ৰুগড়ৰ সমৰ্থ মুডীয়ে দ্বিমুকুট অৰ্জন কৰে। গাৰ্গীয়ে অনূৰ্ধ্ব- ১৭ বছৰ বয়সৰ ছোৱালীৰ শাখাত গুৱাহাটীৰ দেবিকা বৰ্মনক আৰু অনূৰ্ধ্ব-১৯ ৰ ছোৱালীৰ শাখাৰ ফাইনেলত গুৱাহাটীৰ ভাৱনা কাশ্যপক হৰুৱাই দ্বি-মুকুট পায়। আনহাতে, দিবিজাই অনূৰ্ধ্ব-১৩ ৰ ছোৱালী শাখাত গুৱাহাটীৰ ঈশানী গগৈক আৰু অনূৰ্ধ্ব-১৫ শাখাৰ ফাইনেলত গুৱাহাটীৰ অঙ্কিতা ৰয়ক হৰুৱাই দ্বি-মুকুট লাভ কৰে। অনূৰ্ধ্ব-১৭ ৰ ল'ৰাৰ ফাইনেলত সমৰ্থ মুডীয়ে সতীৰ্থ মানস পি. গগৈক আৰু অনূৰ্ধ্ব-১৯ বছৰ বয়সৰ ল'ৰাৰ শাখাৰ ফাইনেলত সমৰ্থই গুৱাহাটীৰ দিব্যিয়াজ ৰাজখোৱা ৰয়ক পৰাজিত কৰে। পুৰুষৰ শাখাত দিব্যিয়াজে ফাইনেলত গোলাঘাটৰ শাংকৰ গৌতম বৰুৱাক ৪-১ গেমত পৰাস্ত কৰাৰ বিপৰীতে মহিলা শাখাত তৃষাই গুৱাহাটীৰ গাৰ্গী শইকীয়াক ৪-১ গেমত পৰাস্ত কৰে। অনূৰ্ধ্ব-১১ৰ ছোৱালীৰ শাখাত গুৱাহাটীৰ জেণিচা বিপুলে শিলচৰৰ আৰোহী নাথক আৰু ল'ৰাৰ শাখাৰ ফাইনেলত শিলচৰৰ এম জেনিথ সিংহই গুৱাহাটীৰ সিংহক পৰাজিত কৰি বিজয়ী হয়। অনূৰ্ধ্ব-১৩ ৰ ল'ৰাৰ ছিংগলছৰ ফাইনেলত শিলচৰৰ বিপ্ৰজিৎ পালে শিৱসাগৰৰ ৰায়ন বৰঠাকুৰক আৰু অনূৰ্ধ্ব-১৫ ৰ ল'ৰাৰ ফাইনেলত ডিব্ৰুগড়ৰ অভিক্ষিত চাংমাইয়ে শিৱসাগৰৰ আৰোহণ অমন দুৱৰাক হৰুৱাই বিজয়ী খিতাপ হস্তগত কৰে। মঙলবাৰে নিশা সফলতাৰে সমাপ্তি ঘটা প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ সমৰ্থ মুডীয়ে প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্ট, নগাঁৰৰ নয়নপ্ৰিয়া কোচ আৰু ডিব্ৰুগড়ৰ ৰোৱাং ৰিট দত্তই প্ৰতিভাসম্পন্ন খেলুৱৈৰ পুৰস্কাৰ লাভ কৰে। এই প্ৰতিযোগিতাৰ অন্তত সামৰণি অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মাৰ উপৰি অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, সমাজ সংগঠক ধ্ৰুৱজ্যোতি শৰ্মা আদি উপস্থিত থাকে।





১৬ সংখ্যক ত্ৰৈলোক্য নাথ সোঁৱৰণী সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাৰ এটি মুহূৰ্ত, নগাঁৱত

## স্পটলাইটত আৰচিবি! শিখৰত ভৰি দিও ব্যৰ্থ পঞ্জাৱ কিংগছ

# অহাবাৰ খিতাপৰ বাবে আকৌ আমি উভতি আহিমঃ শ্ৰেয়ছ আয়াৰ

**বাংগালুৰু, ৪ জুনঃ** কোৱা হয়- মানুহে সদায় মনত ৰাখে বিজয়ীজনক। এতিয়া যেন আইপিএলৰ ক্ষেত্ৰতো দেখা গৈছে তদ্ৰূপ ছবি। ১৮ বছৰৰ প্ৰতীক্ষাৰ অন্তত শিৰত জয়ৰ খিতাপ তুলি লৈছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে। সমগ্ৰ মিডিয়া, ক্ৰিকেট অনুৰাগীৰ কেন্দ্ৰবিন্দু হৈ পৰিছে ৰক্তবৰ্ণী আৰচিবিয়ে। আকৌ এবাৰ মহানায়ক হিচাপে পৰিগণিত হৈছে বিৰাট কোহলি। আৰু এই সকলোবোৰৰ মাজত যেন এতিয়া হেৰাই গৈছে দুৰ্দান্ত প্ৰদৰ্শনেৰে ফাইনেলত প্ৰৱেশ কৰিও ৬ ৰাণত খিতাপ এৰি দিবলৈ বাধ্য হোৱা পঞ্জাৱ কিংগছ। আইপিএলৰ চূড়ান্ত পৰ্যায়ত সকলোৰে দৃষ্টি চেম্পিয়ন ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৰ ওপৰত নিবদ্ধ হৈ থকাৰ সময়তে পৰাজিত অধিনায়ক শ্ৰেয়ছ আয়াৰে এক বেলেগ বাস্তৱতাৰ সন্মুখীন হ'বলগীয়া হৈছে। হাতত ট্ৰফী লৈ মঞ্চ এৰি যোৱাৰ পূৰ্বে পঞ্জাৱ কিংগছৰ অধিনায়কজনে স্পষ্ট কৰি দিছিল যে অহা বছৰ খিতাপ জয়ৰ লক্ষ্যৰে পুনৰ তেওঁ নামিব খেলপথাৰত। আই পি এলত অধিনায়ক হিচাপে শ্ৰেয়ছৰ সফলতাও কম নহয়। তিনিটা ভিন্ন দলক ফাইনেললৈ আগবঢ়াই নিয়াৰ গৌৰৱৰ একমাত্ৰ অধিকাৰী শ্ৰেয়ছ। যদিও তেওঁ দিল্লী কেপিটেলছ আৰু পঞ্জাৱ কিংছক চেম্পিয়ন হিচাপে গঢ়ি তুলিব নোৱাৰিলে, তথাপিও যোৱা বছৰ তেওঁ কলকাতা নাইট ৰাইডাৰ্ছক খিতাপ দখল কৰিবলৈ নেতৃত্ব দিছিল। অহা বছৰ পঞ্জাব কিংছৰ হৈ আই পি এলৰ প্ৰথমটো ট্ৰফী আনিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ। ট্ৰফী আৰু ১২.৫ কোটি টকাৰ চেক লাভ কৰাৰ পিছত পঞ্জাৱৰ অধিনায়কগৰাকীয়ে কয়, "সঁচা কথা ক'বলৈ গ'লে মই অতি হতাশ অনুভৱ কৰিছো। কিন্তু ইমান ডাঙৰ প্ৰতিযোগিতাত দলৰ সকলোৱে যিদৰে খেলিলে তাৰ প্ৰশংসা কৰিব লাগিব। আমাৰ মেনেজমেণ্ট, সহায়ক কৰ্মচাৰী, দলৰ সৈতে জড়িত সকলোৱে গুৰুত্বপূৰ্ণ অৰদান আগবঢ়াইছে। এই যাত্ৰাত সকলোৱে সক্ৰিয়ভাৱে আমাৰ কাষত আছে। দলৰ খেলুৱৈসকলৰ কথাও উল্লেখ কৰিম। তেওঁলোকৰ সমৰ্থন অবিশ্বাস্য হৈ পৰিছে।" ইয়াৰ পিছত অহা বছৰ চেম্পিয়ন হোৱাৰ সংকল্প তেওঁৰ কণ্ঠত শুনা গ'ল। শ্ৰেয়ছে কয়, "আমি কামৰ আধাখিনি কৰিছো। আমি অহা বছৰ ট্ৰফী জয় কৰিব বিচাৰো। আমাৰ বহুত ইতিবাচক দিশ আছে। দলটোৰ বহু যুৱ ক্ৰিকেটাৰ আছে যিয়ে প্ৰথমবাৰৰ বাবে আই পি এল খেলি আছে। কিন্তু তেওঁলোকে নিৰ্ভীক ক্ৰিকেট খেলিলে। এয়া ইতিবাচক খবৰ। মই নিশ্চিত যে অহা বছৰ তেওঁলোক শক্তিশালী আৰু আত্মবিশ্বাসী হৈ ঘূৰি আহিব।"




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি